# বালিজান মিলিজুলি যুটীয়া বন পৰিচালনা সমিতি
# (জে এফ এম চি)

ডিগবৈ বন সংমণ্ডল

# ক্ষুদ্র পৰিকল্পনা

(২০১৬-১৭ৰ পৰা ২০২৫-২৬ লৈ)

বালিজান মিলিজুলি যুটীয়া বন পৰিচালনা সমিতি (JFMC)ৰ দ্বাৰা প্ৰস্তুত

সহায়কাৰী

অসম বন বিভাগ

আৰু

ক্ষুদ্র পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

[ আই আই ই (IIE) আৰু আৰ জি ভি এন (RGVN) ]

Approved

জুলাই, ২০১৭

Divisional Forest Officer
Digboi Division, Digboi
Tinsukia, Assam

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ এফ ডি (AFD) | এজেন্সী ফ্রান্সিচ ডি ডেভেলপমেণ্ট |
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ বৈচিত্র্য সংৰক্ষণৰ অসম প্ৰকল্প (আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ এফ ডি (AFD) | ফ্ৰান্স উন্নয়ন এজেন্সী (এজেন্সী ফ্ৰান্সিচ ডি ডেভেলপমেণ্ট) |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টী লাইন) |
| চি এম এল (CML) | ক্ষুদ্ৰ বিত্তীয় সাহায্য আৰু জীৱিকা কেন্দ্ৰ ( চেণ্টাৰ ফৰ মাইক্ৰ'-ফাইনেন্স এণ্ড লাইভলিহুড) |
| কম্পেল' (COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেনচিং লাইভলিহুড অপৰচুনিটিজ |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| জি আই এছ (GIS) | ভৌগোলিক তথ্য ব্যৱস্থা (জিঅ'গ্ৰাফিকেল ইনফৰ্মেচন ছিষ্টেম) |
| এইচ এ (Ha) | হেক্টৰ |
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যৌথ বন পৰিচালনা সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |
| কে জি (Kg) | কিলোগ্ৰাম |
| কে এম (Km) | কিলোমিটাৰ |
| এম টি (MT) | মেট্ৰিক টন |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰেষ্টে প্ৰডিউচ) |
| এন ডব্লিউ এফ পি (NWFP) | কাঠ ভিন্ন বন উৎপাদন (নন উড ফৰেষ্টে প্ৰডিউচ) |
| পি ডি এছ (PDS) | ৰাজহুৱা বিতৰণ ব্যৱস্থা (পাব্লিক ডিষ্ট্ৰিবিউচন ছিষ্টেম) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পাৰ্টিচিপেটৰী ৰুৰেল এপ্ৰাইজেল) |
| আৰ জি ভি এন (RGVN) | ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি |
| আৰ এছ (Rs) | ভাৰতীয় টকা |
| এছ এইচ জি (SHG) | আত্মসহায়ক গোট ( ছেল্‌ফ-হেল্প গ্ৰুপ) |
| ভি চি ডি চি (VCDC) | গাঁও পৰিষদ উন্নয়ন সমিতি (ভিলেজ কাউন্সিল ডেভেলপমেণ্ট কমিটী) |

# বালিজান মিলিজুলি যুটীয়া বন পৰিচালনা সমিতি
## ডিগবৈ বন সংমণ্ডল

## ১০ বছৰৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা
## (জীৱিকা উন্নয়ন পৰিকল্পনা আৰু বন উন্নয়ন পৰিকল্পনা)

<u>সূচীপত্ৰ</u>


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | ভূমিকা | |
| ২ | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা | |
| ৩ | জীৱিকাৰ সুবিধা বিশ্লেষণ— কাৰ্যসূচী আৰু সৰঞ্জাম | |
| ৪ | জীৱিকা উন্নয়ন পৰিকল্পনা | |
| ৫ | বন উন্নয়ন পৰিকল্পনা | |
| ৬ | পৰিশিষ্টৰ তালিকা | |

## ১। ভূমিকা

| | |
|---|---|
| **প্ৰকল্পটোৰ সম্পৰ্কে** | অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন্ ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ উদ্দেশ্য হৈছে— 'নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ অংশগ্ৰহণেৰে আৰু বনজ আৰু বনজবহিৰ্ভূত সম্পদৰ বহনক্ষম ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সুসংহত পৰিকল্পনাৰে অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা।' প্ৰকল্পটোৰ লক্ষ্য হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।'<br>এই প্ৰকল্পটোলৈ আৰ্থিক অনুদান আগবঢ়াইছে এজেন্সী ফ্ৰান্সিচ ডি ডেভেলপমেণ্ট অৰ্থাৎ ফ্ৰান্স ডেভেলপমেণ্ট এজেন্সীয়ে। সহযোগ কৰিছে অসম চৰকাৰে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাকে ধৰি সকলো কামৰ দায়িত্বত আছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন ছ'চাইটী। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজন হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ সক্ষমতা বৃদ্ধি কৰাও দৰকাৰ।<br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ, আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন) আৰু 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)' চমুকৈ কম্পেল'।<br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান... বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।' বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **বালিজান মিলিজুলি জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ তিনিচুকীয়া জিলাত অৱস্থিত বালিজান মিলিজুলি জে এফ এম চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ জৰিয়তে গাঁওবাসীৰ প্ৰয়োজনীয়তাৰ বিস্তৃত বিশ্লেষণ এই নথিত সন্নিৱিষ্ট হৈছে। এই জে এফ এম চি পূব অসম বন চক্ৰ, যোৰহাটৰ ডিগবৈ বন সংমণ্ডলৰ অন্তৰ্গত। পৰৱৰ্তী অধ্যায়ত সম্প্ৰদায়সমূহৰ সবিশেষ উল্লেখ কৰা হৈছে। |

| | |
|---|---|
| | এই ক্ষুদ্ৰ পৰিকল্পনা গাঁওখনত বাস কৰা সম্প্ৰদায়সমূহৰ পুৰুষ আৰু মহিলাসকলৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে। ২০১৭ চনৰ এপ্ৰিল মাহত ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ, গুৱাহাটীৰ বিষয়ববীয়া আৰু সম্প্ৰদায়টোৱে গ্ৰহণ কৰা অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পি আৰ এ)ৰ জৰিয়তে এই নথি প্ৰস্তুত কৰা হৈছে। প্ৰকল্প নিৰ্দেশনা অনুসৰি আই আই ই-এ এই ক্ষুদ্ৰ পৰিকল্পনা সংযোজিত কৰিছে। ২০-০৪-২০১৭ত এই নথি গ্ৰহণ কৰাৰ বাবে আলোচনাত চূড়ান্ত কৰা হয় (পি আৰ এ অনুশীলৰ প্ৰস্তাৱ পৰিশিষ্ট-(I)ত সন্নিৱিষ্ট কৰা হৈছে)। |

## ২। বালিজান মিলিজুলি জে এফ এম চিৰ আৰ্থ-সামাজিক ৰূপৰেখা

| | |
|---|---|
| **অৱস্থিতি** | ডিগবৈ বন সংমণ্ডলৰ অন্তৰ্গত, ডিগবৈ বন আঞ্চলিকৰ ওপৰ দিহিং সংৰক্ষিত বনাঞ্চল (পশ্চিম খণ্ড)ৰ সীমান্তৱৰ্তী গাঁও বালিজানৰ গাঁওবাসীক সামৰি বালিজান মিলিজুলি যুটীয়া বন পৰিচালনা (জে এফ এম চি) গঠন কৰা হয়। উক্ত জে এফ এম চিৰ অন্তৰ্গত এলেকা অসমৰ তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা ৰাজহ চক্ৰৰ অন্তৰ্গত। |
| **মূল তথ্য** | **তালিকা-ক ঃ জে এফ এম চিৰ মূল তথ্য** (see table below) |

**তালিকা-ক ঃ জে এফ এম চিৰ মূল তথ্য**

| | |
|---|---|
| **জে এফ এম চিৰ নাম** | বালিজান মিলিজুলি |
| **বাসস্থান** | মূলতঃ কৃষক, দিন হাজিৰা কৰা, চাকৰি |
| **ৰাজহ গাঁৱৰ নাম** | |
| **গাঁও পঞ্চায়ত/ভি চি ডি চি** | বৰবিল |
| **ৰাজহ চক্ৰৰ নাম** | মাৰ্ঘেৰিটা |
| **জিলা** | তিনিচুকীয়া |
| **বন সংমণ্ডল** | ডিগবৈ |
| **বন আঞ্চলিক** | ডিগবৈ |
| **বন লাট** | বৰজান |
| **গঠনৰ বছৰ** | ২০০১৬ |
| **জে এফ এম চিৰ চাৰিসীমা** | তলত উল্লেখ কৰা ধৰণে ঃ<br>উত্তৰ ঃ নিউ কল'নী<br>দক্ষিণ ঃ সংৰক্ষিত বনাঞ্চল (ইউ ডি আৰ এফ, ডব্লিউ বি)<br>পশ্চিম ঃ কচুজান<br>পূব ঃ শিৱ মন্দিৰ আৰু থাৰ্মেল |

**উৎস** ঃ জে এফ এম চি তথ্য

<table>
<tr>
<td>কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ</td>
<td>বালিজান মিলিজুলি যুটীয়া বন পৰিচালনা সমিতিৰ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ তলৰ তালিকাত দিয়া হ'ল।<br><br>
তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ
<table>
<tr><td>সভাপতিৰ নাম</td><td>তৰুপ্ৰভা সোণোৱাল</td></tr>
<tr><td>সদস্য সচিবৰ নাম</td><td>পৰিণীতা সিং, বনাঞ্চলিক বিষয়া, ডিগবৈ</td></tr>
<tr><td>কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা</td><td>মহিলা ঃ ১০</td></tr>
<tr><td></td><td>মুঠ ঃ ১০</td></tr>
<tr><td>সাধাৰণ সমিতিৰ সদস্য সংখ্যা</td><td>১০০ (জে এফ এম চিৰ প্ৰতিটো পৰিয়ালেই ইয়াৰ সদস্য, সম্ভৱত প্ৰতিটো পৰিয়ালৰ মুৰব্বী গৰাকী</td></tr>
</table>
উৎস ঃ জে এফ এম চিৰ তথ্য।</td>
</tr>
<tr>
<td>পৰিয়াল আৰু জনসংখ্যা গাঁথনি</td>
<td>গাঁওখনত বাস কৰা পৰিয়ালৰ সংখ্যা হৈছে ১০০টা। গাঁওখনৰ মুঠ জনসংখ্যা হৈছে ৬৫০জন। ইয়াৰে ৩৭০জন পুৰুষ আৰু ২৮০গৰাকী মহিলা। মুঠ জনসংখ্যাৰ সিংহভাগেই অনুসূচিত জাতি আৰু কিছুসংখ্যক পৰিয়াল অন্যান্য পিছপৰা আৰু অনুসূচিত জনজাতিৰ।<br><br>
উপৰোক্ত তথ্যৰ অধিক বিৱৰণৰ বাবে তথ্য-(I)ৰ তালিকা-২ চাব পাৰে।<br><br>
ইয়াৰ পৰা জনা যায় যে ঃ<br><br>
১) প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা হৈছে ৪.৯৫জন<br><br>
২) গাঁওখনৰ লিংগ অনুপাত হৈছে প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে ৭৩৬গৰাকী মহিলা।</td>
</tr>
<tr>
<td>শিক্ষা আৰু দক্ষতা বিকাশ</td>
<td>বালিজান মিলিজুলি গাঁৱৰ ৯০ শতাংশতকৈ অধিক লোক শিক্ষিত। গাঁওখনৰ অধিকাংশ লোকেই বিদ্যালয় আৰু কলেজ পৰ্যায়ৰ শিক্ষা লাভ কৰিছে।<br><br>
আনুষ্ঠানিক আৰু অনানুষ্ঠানিক— এই দুই ধৰণৰ জীৱিকা উন্নয়ন কাৰ্যসূচী গাঁওবাসীয়ে গ্ৰহণ কৰি আহিছে। বালিজান মিলিজুলি যুটীয়া বন পৰিচালনা সমিতিত অনানুষ্ঠানিক দক্ষতা উন্নয়নৰ অৰ্থ হৈছে পৰম্পৰাগতভাৱে গ্ৰহণ কৰা দক্ষতা। তলত উল্লেখ কৰা ক্ষেত্ৰসমূহত পৰম্পৰাগত দক্ষতা আছে ঃ<br><br>
ক) পশুপালন<br><br>
খ) বয়ন<br><br>
গ) বাঁহ-বেতৰ কাম<br><br>
সমগ্ৰ দেশৰ লগতে ৰাজ্যখনতো আনুষ্ঠানিক দক্ষতা উন্নয়ন কাৰ্যসূচী প্ৰসাৰৰ বাবে চৰকাৰে সক্ৰিয় ভূমিকা পালন কৰি আহিছে। এনে কোনো আঁচনিৰ পৰা এতিয়ালৈকে গাঁওবাসী উপকৃত হোৱা নাই। কিয়নো গাঁওখন অথবা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত তেনে কোনো আঁচনি ৰূপায়ণ কৰা হোৱা নাই।</td>
</tr>
</table>

| | |
|---|---|
| **ভূমি** | প্ৰকল্প গ্ৰহণ কৰা অঞ্চলৰ ভূমিৰ প্ৰকাৰ এনেধৰণৰ ঃ<br>■ অঞ্চলটোৰ মাটি কম হালধীয়া আৰু ঈষৎ মটীয়া ৰঙৰ আঠালেতীয়া। এই মাটিৰ গভীৰতা ২.৫ মিটাৰ। ইয়াৰ পিছত ১৬ মিটাৰমানলৈকে এটা বালি (কোৱাৰ্টজ)ৰ তৰপ আৰু তাৰ তলত আঠালেতীয়া মাটি। প্ৰক্ৰিয়াগতভাৱে এই মাটিৰ গুণাগুণ আম্লিক। মুখ্য ভূমিৰ প্ৰকাৰ হ'ল ঃ<br>ক) নতুনকৈ সৃষ্টি হোৱা পলসুৱা মাটি<br>খ) পিডমণ্ট মাটি<br>গ) ৰঙা আম্লিক মাটি<br>এই মাটি অতি সাৰুৱা আৰু বিভিন্ন প্ৰকাৰৰ শস্য আৰু পাচলি খেতিৰ বাবে উপযোগী। |
| **পানী** | বালিজান মিলিজুলি গাঁৱত পানীৰ বহুকেইটা উৎস আছে আৰু ইয়াৰ মাজেৰে তেলীজান নামৰ জানটো বৈ গৈছে। |
| **জলবায়ু ঃ<br>উষ্ণতা আৰু বৰষুণ** | জলবায়ু আৰু বতৰৰ বাৰ্ষিক গড় অৱস্থা তলত দিয়া ধৰণৰ ঃ<br>গ্ৰীষ্মকালত অঞ্চলটোৰ সৰ্বোচ্চ তাপমাত্ৰা হৈছে ৩৪ ডিগ্ৰী চেলচিয়াছ আৰু শীতকালত সৰ্বনিম্ন তাপমাত্ৰা হৈছে ৮-১২ ডিগ্ৰী চেলচিয়াছ।<br>প্ৰতিবছৰে বাৰ্ষিক বৰষুণৰ পৰিমাণ হৈছে ৫৯-১৬০ চেণ্টিমিটাৰ। বাৰিষাৰ সময়ছোৱাত (জুন) সাধাৰণতে দুই তৃতীয়াংশ বৃষ্টিপাত হয়।<br>গ্ৰীষ্মৰ সময়ত গাঁওখনৰ আৰ্দ্ৰতাৰ পৰ্যায় হৈছে ৯০ শতাংশ। শীতকালত আৰ্দ্ৰতাৰ পৰ্যায় হৈছে ৩০ শতাংশৰ কম। |
| **বন আৰু জৈৱ-বৈচিত্ৰ্য** | স্থানীয় বনাঞ্চলসমূহ বিস্তৃতভাৱে উজনি অসম চিৰসেউজ বনাঞ্চল হিচাপে অন্তৰ্ভুক্ত। মুখ্য বন প্ৰজাতি হ'ল ঃ হলং, তিতাচপা, হলখ, আজাৰ, উৰিয়াম, বনবগৰী, খকন, নাহৰ আদি। বনাঞ্চলসমূহত এন টি এফ পিৰ পৰ্যাপ্ততা যেনে ঃ পাচলি, গুল্মজাতীয় উদ্ভিদ, বনৌষধি, বাঁহ, পশুখাদ্য আদি আছে।<br>এই সম্পৰ্কীয় অতিৰিক্ত তথ্য 'বনোন্নয়ন পৰিকল্পনা'ত দিয়া হৈছে। |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | বালিজান মিলিজুলি যুটীয়া বন পৰিচালনা সমিতিৰ ভূমি ব্যৱহাৰৰ ধৰণ পৰিশিষ্ট-২ত বহলাই উল্লেখ কৰা হৈছে। এই পৰিশিষ্ট অনুসৰি পৰ্যবেক্ষণ কৰা কিছু গুৰুত্বপূৰ্ণ তথ্য নিম্নোল্লিখিত ধৰণৰ ঃ<br>ধাননি পথাৰ ঃ ৩৬ শতাংশ<br>বৃক্ষৰোপিত অঞ্চল ঃ ২০ শতাংশ<br>ৰাস্তা ঃ ১.৯৬ শতাংশ<br>বসতি স্থান ঃ ৪০ শতাংশ |
| **ভূমি ধাৰণ** | প্ৰতিটো পৰিয়ালৰ ভূমি ধাৰণৰ ধৰণ **তথ্য-(I)ৰ তালিকা-৩**ত উল্লেখ কৰা হৈছে। এই তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ<br>■ ১০০ শতাংশ পৰিয়াল উপান্ত কৃষক। ( ২ হেক্টৰতকৈ কম) |

<table>
<tr><td>পশুধন</td><td>বালিজান মিলিজুলি যুটীয়া বন পৰিচালনা সমিতিৰ মুঠ পশুধনৰ সংখ্যা হৈছে ১৪০৫টা। পৰিয়ালসমূহে প্ৰতিপালন কৰা পশুধনৰ প্ৰকাৰ হৈছে এনেধৰণৰ ঃ<br>গৰু ঃ ৪০০টা<br>ছাগলী ঃ ৮০০টা<br>ম'হ ঃ ২০০টা<br>ওপৰত উল্লিখিত তথ্যৰ সবিশেষ বিৱৰণ তথ্য-(I)ৰ তালিকা-৪ত দাঙি ধৰা হৈছে।</td></tr>
<tr><td>গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা</td><td>যিকোনো জনগোষ্ঠীতে সাধাৰণ আন্তঃগাঁথনিৰ উপলব্ধতাই জীৱিকাৰ নিৰ্বাহক্ষম উপায় উন্নয়নত সহায় কৰে। গাঁওখনত বৰ্তমানৰ আন্তঃগাঁথনিৰ অৱস্থা সন্তোষজনক নহয়। তথ্য-(I)ৰ তালিকা-৫ত গাঁৱৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা দাঙি ধৰা হৈছে।<br>ওপৰৰ তালিকাৰ পৰা গাঁওখনৰ বৰ্তমানৰ আন্তঃগাঁথনি সন্দৰ্ভত তলৰ তথ্যসমূহ লাভ কৰিব পাৰি ঃ<br>বাস্তৱিক আন্তঃগাঁথনি ঃ অঞ্চলটোৰ বাসিন্দাসকলে মূল বাস্তৱিক আন্তঃগাঁথনিৰ পৰা বঞ্চিত হৈ আহিছে। ইয়াত উন্নত বাস্তৱিক আন্তঃগাঁথনি যেনে ঃ ভাল ৰাস্তা, বেংক আদি নাই।<br>শিক্ষা আৰু স্বাস্থ্য সেৱা ঃ অঞ্চলটোত শিক্ষা ব্যৱস্থা সন্তোষজনক নহয়। ইয়াত শিক্ষাৰ সুবিধা অতি কম, মাত্ৰ এখন প্ৰাথমিক বিদ্যালয় আৰু এটা অংগনৱাড়ী কেন্দ্ৰ জে এফ এম চি এলেকাৰ ভিতৰত আছে। ৰাজহুৱা পৰিবহণ ব্যৱস্থা আছে যদিও অতি ভাল নহয় আৰু গাঁৱৰ সদস্যসকলে ইফাল-সিফাল যাবৰ বাবে চাইকেল আৰু মটৰ চাইকেল ব্যৱহাৰ কৰে।<br>চৰকাৰী কাৰ্যালয় ঃ চৰকাৰী কাৰ্যালয় (যেনে আৰক্ষী থানা, ৰাজহ কাৰ্যালয়, বন আঞ্চলিক কাৰ্যালয় আদি) গাঁওখনৰ পৰা যথেষ্ট দূৰৈত, এইবোৰলৈ অহা-যোৱা কৰিবৰ বাবে বাসস্থান বা ওচৰৰ অঞ্চলৰ পৰা নিয়মিত ৰাজহুৱা পৰিবহণ ব্যৱস্থা নাই।<br>বিত্তীয় প্ৰতিষ্ঠান ঃ গাঁওখনৰ পৰা বিত্তীয় প্ৰতিষ্ঠান যেনে বেংক যথেষ্ট দূৰৈত অৱস্থিত।</td></tr>
<tr><td>কৃষিশস্য</td><td>বালিজান মিলিজুলি যুটীয়া বন পৰিচালনা সমিতিৰ কৃষিশস্যৰ সবিশেষ তথ্য-(I)ৰ তালিকা-৬ত বিশদভাৱে উল্লেখ কৰা হৈছে।<br>উক্ত তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ<br>খাৰিফ শস্য ঃ ধান-শালি<br>ৰবি শস্য ঃ ঋতুগত পাচলি— আলু, সৰিয়হ, বেঙেনা, ৰঙালাউ, মূলা, ভেন্দি, বিলাহী আদি।<br>সকলো ধৰণৰ শস্যই বৰ্ষাভিত্তিক।</td></tr>
</table>

| | |
|---|---|
| **পশুখাদ্যৰ পৰ্যাপ্ততা** | গাঁওখনত পশুখাদ্যৰ পৰ্যাপ্ততা **তথ্য-(I)ৰ তালিকা-৮**ত সন্নিৱিষ্ট কৰা হৈছে। জে এফ এম চিখনৰ পশুখাদ্যৰ মূল উৎসসমূহ হৈছে ঃ<br>ক) ধানৰ অৱশিষ্ট<br>খ) অতিৰিক্ত শাক-পাচলি<br>গ) ঘৰুৱা পেলনীয়া বস্তু<br>ঘ) বন |
| **বজাৰ যেনে গেলামাল, সাপ্তাহিক, অৰ্ধ-সাপ্তাহিক, প্ৰধান বজাৰ** | বালিজান মিলিজুলি যুটীয়া বন পৰিচালনা সমিতিৰ পৰা বিভিন্ন বজাৰৰ অৱস্থান **তথ্য-(I)ৰ তালিকা-৯**ত উল্লেখ কৰা হৈছে। গাঁওবাসীয়ে ব্যৱহাৰ কৰা বজাৰসমূহ হৈছে ঃ<br>ক) গেলামাল/সুলভ মূল্যৰ দোকানঃ গাঁৱৰ ভিতৰত<br>খ) সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ ঃ ১৫ কিলোমিটাৰ দূৰত্বৰ টিঙৰিত<br>গ) প্ৰধান বজাৰ ঃ ৩ কিলোমিটাৰ দূৰত্বৰ ডিগবৈত |
| **জল সম্পদ** | **তথ্য-(I)ৰ তালিকা-১০**ত জল সম্পদসমূহৰ বিষয়ে সন্নিৱিষ্ট কৰা হৈছে। পানী উপলব্ধ হোৱা প্ৰধান জল সম্পদসমূহ এনেধৰণৰ ঃ<br>ক) নদীৰ পানী ঃ (পানীৰ পৰ্যাপ্ততা ঃ ঋতু অনুযায়ী)<br>খ) দমকল ঃ (পানীৰ পৰ্যাপ্ততা ঃ বছৰজুৰি)<br>গ) কুঁৱা ঃ (পানীৰ পৰ্যাপ্ততা ঃ বছৰজুৰি) |
| **শক্তিৰ ব্যৱহাৰ** | বালিজান মিলিজুলি যুটীয়া বন পৰিচালনা সমিতিৰ শক্তিৰ মূল উৎসসমূহ **তথ্য-(I)ৰ তালিকা-১১**ত উল্লেখ কৰা হৈছে।<br>ক) কাঠখৰি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৮০টা, উৎস ঃ বনাঞ্চল/ৰোপণ<br>খ) ৰন্ধন গেছ ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৪০টা<br>গ) কেৰাচিন ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ২০টা |
| **আৰ্থ-সামাজিক স্থিতি** | **সামাজিক গাঁথনি ঃ** গাঁওখনত জনজাতীয় আৰু অজনজাতীয় সম্প্ৰদায়ৰ লোকে বাস কৰে আৰু তেওঁলোক অন্যান্য পিছপৰা, অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ। সমাজত মহিলাৰ স্থান সন্তোষজনক।<br>**অৰ্থনৈতিক অৱস্থা ঃ** গাঁওখনৰ বাসিন্দাসকলৰ অৰ্থনৈতিক স্থিতি সন্তোষজনক নহয়। মূল জীৱিকাৰ পথ হৈছে— কৃষি আৰু দিন হাজিৰা। গাঁওবাসীৰ বাৰ্ষিক আয় ৫০,০০০-৬০,০০০ টকাৰ ভিতৰত। |
| **মানচিত্ৰ** | পি আৰ এ অনুশীলনৰ ভিত্তিত প্ৰস্তুত কৰা তলৰ মানচিত্ৰসমূহ পৰিশিষ্ট-১ত সন্নিৱিষ্ট কৰা হৈছে।<br>* গাঁৱৰ মানচিত্ৰ<br>* গাঁৱৰ সামাজিক মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ)<br>* গাঁৱৰ সম্পদ মানচিত্ৰ |

## ৩। জীৱিকাৰ সুবিধা বিশ্লেষণ

<table>
<tr><td>পি আৰ এ অনুশীলন</td><td>আই আই ই, গুৱাহাটীৰ পৰা এটা দলে বালিজান মিলিজুলি গাঁৱত পি আৰ এ অনুশীলন চলায়—<br>তাৰিখ ঃ ২০ এপ্রিল, ২০১৭<br>স্থান ঃ বালিজান মিলিজুলি গাঁৱৰ পঞ্চায়ত কার্যালয়<br>উপস্থিতি ঃ জে এফ এম চিৰ কার্যালয় সহায়ক, গাঁওবুঢ়া, গাঁওবাসী, বন বিভাগৰ বিষয়া আদি।</td></tr>
<tr><td>পি আৰ এৰ উদ্দেশ্য</td><td>ইয়াৰ উদ্দেশ্য আছিল বর্তমানৰ পৰিয়ালসমূহৰ অৱস্থা অধ্যয়ন আৰু গাঁওবাসীৰ জীৱিকা উন্নয়নৰ পদক্ষেপ আৰু বনোন্নয়ন পৰিকল্পনাৰ বাবে প্ৰাথমিক তথ্য সংগ্ৰহ।</td></tr>
<tr><td>পি আৰ এত ব্যৱহৃত সা-সৰঞ্জাম আৰু জ্ঞাত তথ্য</td><td>বিভিন্ন সা-সৰঞ্জাম ব্যৱহাৰ কৰা হয় আৰু তাৰ কিছু তথ্য লাভ কৰা হয়। এইসমূহ হ’ল ঃ<br>সামাজিক মানচিত্ৰায়ন<br>সম্পদ স্থানাংক<br>সময়ৰেখা পর্যবেক্ষণ<br>জীৱিকাৰ ঋতু সম্পর্কীয়তা<br>ভেন ডায়েগ্ৰাম<br>পৰিশিষ্ট-৩ বিতং তথ্য প্ৰদান কৰা হৈছে ।</td></tr>
<tr><td>স্থানাংক</td><td>তলৰ তথ্যসমূহৰ বাবে স্থানাংক অনুশীলন কৰা হয়।<br>* জীৱিকা আৰু দক্ষতা উন্নয়ন<br>* প্ৰাৰম্ভিক কার্যসূচী ( ই পি এ)<br>পৰিশিষ্ট-৩ বিতং তথ্য প্ৰদান কৰা হৈছে। ইয়াৰ পৰা এইটো পোৱা গ’ল যে—<br>প্ৰাৰম্ভিক কাৰ্যসূচীৰ স্থানাংক তলত দিয়া হ’ল —
<table>
<tr><th>ক্ৰমিক নং</th><th>স্থানাংক অনুসাৰে গাঁৱৰ ই পি এ</th><th>বর্ণনা (পৰিশিষ্ট-৩ত অতিৰিক্ত বর্ণনা)</th><th>পুঁজিৰ সম্ভাৱনীয় উৎস/বিভাগ</th></tr>
<tr><td>১</td><td>ৰাজহুৱা সভাঘৰ</td><td>আন্তঃগাঁথনিৰ সুবিধা আৰু অনাময় ব্যৱস্থাৰে ৰাজহুৱা সভাঘৰ</td><td>এ পি এফ বি চি</td></tr>
<tr><td>২</td><td>খোৱাপানী</td><td>৫০টা বি পি এল পৰিয়ালক ৫০টা দমকল প্ৰদান</td><td>এ পি এফ বি চি</td></tr>
<tr><td>৩</td><td>ৰন্ধন গেছৰ সংযোগ</td><td>৫০টা বি পি এল পৰিয়ালক</td><td>এ পি এফ বি চি / উজ্জ্বলা</td></tr>
</table>
</td></tr>
</table>

<table>
<tr><td></td><td>
<table>
<tr><td>৪</td><td>ঘৰত সৌৰ লাইটৰ ব্যৱস্থা</td><td>২০টা বি পি এল পৰিয়ালক</td><td>এ পি এফ বি চি /এম এন আৰ ই /নাবাৰ্ড</td></tr>
<tr><td>৫</td><td>অনাময়</td><td>কম খৰচী ঘৰুৱা শৌচাগাৰ প্ৰদান, চেপ্টিক আৰু ছেনিটাৰী প্ৰকাৰৰ</td><td>এ পি এফ বি চি /স্বচ্ছ ভাৰত মিছন /পি এইচ ই ডি</td></tr>
<tr><td>৬</td><td>ৰাজহুৱা টেণ্ট হাউছ</td><td>ৰাজহুৱা সভাঘৰৰ পৰা চকী আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰীৰে এটা টেণ্ট হাউছ চলাব লাগিব।</td><td>এ পি এফ বি চি</td></tr>
</table>
</td></tr>
<tr><td>জীৱিকাৰ সুবিধাসমূহ</td><td>জীৱিকাৰ সুবিধাসমূহ তলত দিয়াৰ দৰে চিনাক্ত কৰা হৈছে ঃ<br>* দক্ষতা উন্নয়ন<br>* কৃষি আৰু উদ্যানশস্য<br>* পশুপালন<br>* এন টি এফ পি<br>* ঋণৰ সুবিধা<br>অতিৰিক্ত আলোচনা এই সম্পৰ্কত তলত দিয়া হ'ল।</td></tr>
<tr><td>দক্ষতা উন্নয়ন</td><td>জীৱিকাৰ সুবিধাসমূহ তলত দিয়াৰ দৰে চিনাক্ত কৰা হৈছে ঃ<br>১) হস্ততাঁত<br>২) চিলাই<br>৩) পশুপালন<br>৪) বাঁহ-বেতৰ কাম<br>ওপৰৰ সম্পৰ্কত অতিৰিক্ত আলোচনা তলত দিয়া হৈছে।</td></tr>
<tr><td>কৃষি আৰু উদ্যানশস্য</td><td>তথ্য ঃ ২ৰ তালিকা ঃ ১২ৰ পৰা কৃষি আৰু উদ্যানশস্যত এই সম্পৰ্কীয় সুবিধাসমূহ পাব পাৰি।<br>মূল প্ৰতিবন্ধকতাসমূহ — নাই<br>সুবিধাসমূহ ঃ<br>(ক) বছৰেকীয়া শস্য চক্ৰ বৃদ্ধি<br>(খ) সংগ্ৰহ গোট, পেকেজিং<br>(গ) বজাৰ কৰিব পৰা সামগ্ৰীসমূহৰ প্ৰাতিষ্ঠানিক সংযোগ<br>পৰামৰ্শমূলক আঁচনি হ'ল ঃ<br>* কৃষি দক্ষতা উন্নয়ন কাৰ্যসূচী<br>* কীটনাশক, সাৰ প্ৰয়োগ আৰু বৰ্ণসংকৰ কৃষি সম্পৰ্কীয় প্ৰশিক্ষণ<br>* জলসিঞ্চন<br>* ঋণৰ সুবিধা</td></tr>
</table>

| | |
|---|---|
| **পশুধন** | পশুধন প্ৰতিপালন সুবিধা সম্পৰ্কীয় অতিৰিক্ত তথ্য **তালিকা ঃ ১৩**ত প্ৰদান কৰা হৈছে।<br>মূল প্ৰতিবন্ধকতাসমূহ হ'ল —<br>ক) শস্যৰ অৱশিষ্ট আৰু তৃণজাতীয় খাদ্য মাত্ৰ ৩-৬ মাহে পৰ্যাপ্ত। গোটে বছৰজুৰি সেউজীয়া খাদ্যও পৰ্যাপ্ত নহয়।<br>খ) পশু চিকিৎসা সেৱা নাই।<br>গ) পশুধন প্ৰতিপালন সম্পৰ্কীয় জ্ঞানৰ অভাৱ<br><br>সুবিধাসমূহ ঃ<br>ক) পশুধন প্ৰতিপালনৰ পৰা উচ্চ উপাৰ্জন।<br>খ) গাহৰি, মুৰ্গী, কণী আদিৰ দৰে পশুধন বা তাৰ উৎপাদনৰ ওচৰৰ বজাৰত প্ৰভূত চাহিদা আছে। |
| **এন টি এফ পি** | এন টি এফ পিৰ সুবিধাৰসমূহ **তথ্য ঃ ২ৰ অন্তৰ্গত তালিকা ঃ ১৪**ত প্ৰদান কৰা হৈছে।<br>মূল প্ৰতিবন্ধকতাসমূহ হ'ল —<br>ক) এন ডব্লিউ এফ পিৰ কম পৰ্যাপ্তুতা<br>খ) কাৰিকৰী জ্ঞান নাই<br>গ) সংসাধন গোট নাই<br>সুবিধাসমূহ হ'ল —<br>ক) সাৰুৱা ভূমিৰ পৰ্যাপ্তুতা<br>খ) সংগ্ৰহ ভিত্তিক জীৱিকা সৃষ্টি<br>পৰামৰ্শমূলক কাৰ্যসূচীসমূহ হ'ল—<br>ক) খাদ্য উদ্ভিদ, পশুখাদ্য আদিৰ ৰোপণ<br>খ) ঔষধি উদ্ভিদ আৰু সুগন্ধি উদ্ভিদ ৰোপণ<br>গ) হাৰ্বেল উদ্ভিদ |
| **ঋণৰ সুবিধা** | **তথ্য-২ৰ তালিকা-১৬**ত এই বিষয়ে আলোচনা কৰা হৈছে।<br>কাৰণসহিতে মূল প্ৰতিবন্ধকতাসমূহ —<br>ক) বিত্তীয় ঘাটি<br>খ) অসংগঠিত ঋণ দিওঁতাৰ প্ৰভাৱ<br>গ) ঋণ ব্যৱস্থাৰ অভাৱ<br>সুবিধাসমূহ —<br>ক) আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন<br>খ) বিত্তীয় অন্তৰ্ভুক্তিৰ পদক্ষেপ |

| | |
|---|---|
| **কৌশলগত হস্তক্ষেপ** | জীৱিকা উন্নয়ন পৰিকল্পনাৰ বাবে ওপৰত উল্লিখিত পৰামৰ্শমূলক কাৰ্যসূচীসমূহ কৌশলগত হস্তক্ষেপ হিচাপে সাৰাংশ কৰা হৈছে ঃ<br>১) **দক্ষতা উন্নয়ন ঃ** আধুনিক সা-সঁজুলিৰ প্ৰশিক্ষণ, গাঁওবাসীক আধুনিক প্ৰযুক্তিবিদ্যা উপলব্ধ কৰোৱা। উৎপাদন বৃদ্ধি আৰু উৎপাদিত দ্ৰব্যৰ বিবিধতা প্ৰদানৰ বাবে গাঁওবাসীৰ দক্ষতা উন্নয়ন আৰু প্ৰশিক্ষণ, কেঁচামালৰ সঞ্চয় ঘৰ স্থাপন, প্ৰাতিষ্ঠানিক ক্ৰেতাৰ লগত উৎপাদিত সামগ্ৰী বিক্ৰীৰ সুব্যৱস্থা কৰা।<br>২) **কৃষি আৰু উদ্যানশস্য ঃ** ট্ৰেক্টৰ পৰিচালনা প্ৰশিক্ষণ, কৃষি দক্ষতা উন্নয়ন কাৰ্যসূচী, কীটনাশক সাৰ আৰু বৰ্ণসংকৰ কৃষিৰ ওপৰত প্ৰশিক্ষণ<br>৩) **পশুপালন ঃ** গাহৰি পালন, কুকুৰা পালন।<br>৪) **এন ডব্লিউ এফ পি ঃ** খাদ্য উদ্ভিদ আৰু ঔষধি উদ্ভিদ ৰোপণ আদি।<br>৫) **ঋণ সুবিধা ঃ** কাষৰীয়া অঞ্চলত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |

## ৪। জীৱিকা উন্নয়ন পৰিকল্পনা

| | |
|---|---|
| **উপাৰ্জন সৃষ্টি কাৰ্যসূচী** | গাঁওখনৰ বাবে পৰিকল্পনা কৰা মূল জীৱিকা সৃষ্টি কাৰ্যসূচীসমূহ হ'ল ঃ<br>**কৃষি খণ্ড**<br>১) কুকুৰা আৰু গাহৰি পালন<br>২) কৃষি<br>৩) মীন পালন<br>**অনা-কৃষি খণ্ড**<br>১) হস্ততাঁত বয়ন<br>২) বাঁহৰ সামগ্ৰী উৎপাদন<br>৩) ৰাজমিস্ত্ৰী<br>**উৎস ঃ তথ্য ঃ ৪ৰ তালিকা ঃ ৩২** |
| **আত্মসহায়ক গোটৰ কাৰ্যকলাপ** | গাঁৱৰ আত্মসহায়ক গোটসমূহে তলৰ কাৰ্যসূচীসমূহ পৰিকল্পনা কৰিব পাৰে ঃ<br>১) উদ্যমীৰ সজাগতা সৃষ্টি<br>২) যুটীয়া দায়বদ্ধ গোট গঠন আৰু সংগঠন<br>৩) গাঁওবাসীক জীৱিকা কাৰ্যসূচীত অংশগ্ৰহণ কৰোৱা<br>**উৎস ঃ তথ্য ঃ ৪ৰ তালিকা ঃ ৩৩** |
| **শিক্ষাৰ উদ্দেশ্যে ভ্ৰমণ** | শিক্ষাৰ উদ্দেশ্যে ভ্ৰমণ তলত দিয়াৰ দৰে পৰিকল্পনা কৰিব পাৰি ঃ<br>১) অসম আৰু বাহিৰৰ ৰাজ্যৰ দুটা কৃতকাৰ্য জে এফ এম চিলৈ শিক্ষাৰ উদ্দেশ্যে ভ্ৰমণ<br>**উৎস ঃ তথ্য ঃ ৪ৰ তালিকা ঃ ৩৪** |
| **কৰ্মসূচীৰ সাৰাংশ** | পৰৱৰ্তী পৃষ্ঠাত সংযোগ কৰা হৈছে। |

| | |
|---|---|
| **সংপৃক্তকৰণ** | পৰিকল্পিত পদক্ষেপসমূহ ভাৰত চৰকাৰৰ তলত উল্লিখিত আঁচনিসমূহেৰে সংপৃক্ত কৰিব পাৰি ঃ<br>ক) ৰাষ্ট্ৰীয় গ্ৰাম নিয়োগ নিশ্চিতকৰণ আঁচনি (National Rural Employment Guarantee Scheme) — গ্ৰাম্য নিয়োগৰ কাৰণে<br>খ) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (Rashtriya Krishi Vikas Yojana) — কৃষি আৰু সংলগ্ন ক্ষেত্ৰৰ বিকাশৰ বাবে।<br>গ) ৰাষ্ট্ৰীয় কৃষি সিঞ্চয় যোজনা (Rashtriya Krishi Sinchay Yojana) — পানীৰ উৎস উন্নয়ন সহিতে জলসিঞ্চনৰ কাৰণে<br>ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান (National Rural Livelihoods Mission)<br>ঙ) দক্ষতা বিকাশ আঁচনি (Skills Development Programme)<br>চ) শিক্ষা, ৰেচম, পশুপালন, জলসিঞ্চন, ঔদ্যোগিক আৰু মীন বিভাগৰ পৰা সহায়<br>ছ) গ্ৰামোন্নয়ন আৰু জীৱিকাৰ বাবে পোৱা উপযোগী অন্যান্য আঁচনি।<br>উপৰোক্ত সংপৃক্তকৰণে বৰ্তমানৰ পৰিকল্পনাক সহায় কৰাৰ লগতে ভৱিষ্যৎ প্ৰকল্পতো সহায় কৰিব। |

## ৫। বনোন্নয়ন পৰিকল্পনা

বালিজান মিলিজুলি জে এফ এম চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ অংশ হিচাপে গাঁও অঞ্চলত বনোন্নয়ন পৰিকল্পনা বিস্তৃত পি আৰ এ অনুশীলনৰ পিছত প্ৰস্তুত কৰা হৈছে। এই পৰিকল্পনাৰ উদ্দেশ্যসমূহ হ'ল জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, পাৰিৱেশিক কাৰ্যসূচী আৰু জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলত উৎপাদন সক্ষমতা; এক বহনক্ষম ব্যৱস্থাৰে সম্প্ৰদায়ৰ ব্যৱহাৰ আৰু জীৱন ধাৰণৰ প্ৰয়োজনীয়তাসমূহ লাভ কৰা।

### ১। জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা

বালিজান মিলিজুলি জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনাই তলৰ বিভাগসমূহ বিবেচনা কৰিছে।

ক) বন বিভাগৰ দ্বাৰা জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহ আৰু

খ) বৃক্ষৰোপণ/বৃক্ষৰোপণ কৰিবলগা সম্প্ৰদায়ৰ ভূমি আৰু অন্যান্য ভূমি, যিসমূহ বনাঞ্চলৰ জাননীৰ বাহিৰত

উপৰোক্ত দুয়োটা বিভাগৰে জে এফ এম চি বনাঞ্চলৰ অৱস্থা সম্পৰ্কে তলত আলোচনা কৰা হ'ল ঃ

### ১.১। বনাঞ্চল আৰু তাৰ অৱস্থা

জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলৰ পূৰ্ণ বিৱৰণ প্ৰফৰ্মা-৩ৰ অধীনত তালিকা-৩.১ত দাখিল কৰা হৈছে (**'বনোন্নয়ন পৰিকল্পনা'**), যিসমূহ এই ক্ষুদ্ৰ পৰিকল্পনাত পৰিশিষ্ট হিচাপে সংলগ্ন কৰা হৈছে। অন্যান্য বৃক্ষৰোপিত এলেকা (বা বৃক্ষৰোপণ কৰিবলগা) বিবেচনা কৰাৰ পিছত, বালিজান মিলিজুলি জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা তলত দিয়াৰ দৰে সাৰাংশ কৰা হৈছে।

**তালিকা-১ ঃ বালিজান মিলিজুলি জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা**

| **চিহ্নিতকৰণ** | **জে এফ এম চি বনাঞ্চলৰ আয়তন (হেক্টৰ)** | **গাঁৱৰ পৰা দূৰত্ব (কিঃ মিঃ)** | **বনাঞ্চলৰ অৱস্থা (ভাল-বনৰ ৪০% আৰু ততোধিক ক্ৰাউন ঘনত্ব বাকী- 'ক্ষতিগ্ৰস্ত')** | **সম্প্ৰদায়ৰ দ্বাৰা ব্যৱহাৰৰ ব্যৱধানতা (২-৩ মাহ/৩-৬ মাহ/৬-৯ মাহ/৯ মাহৰ বেছি)** |
|---|---|---|---|---|
| **(ক) ন্যস্ত বনাঞ্চল** | | | | |
| আৰ এফ / পি আৰএফ, নামঃ ইউ ডি আৰ এফ (WB) লাট ঃ বৰজান | ৩০০ | ৫০০ মিঃ | ভাল এলেকা ঃ ২৫০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ৫০ হেক্টৰ | ৯ মাহৰ বেছি |
| **(খ) অন্যান্য ৰোপিত এলেকা (ইউ ডি আৰ এফ পশ্চিম খণ্ড)** | ২০ | ১০০ মিঃৰ ভিতৰত | ভাল এলেকা ঃ ১০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ১০ হেক্টৰ | নাই |
| **মুঠ** | ৩২০ হেক্টৰ | | ভাল এলেকা ঃ ২৬০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ৬০ হেক্টৰ | |

**উৎস ঃ প্ৰফৰ্মা-৩, তালিকা ৩.১** / বন বিষয়া আৰু গাঁওবাসীৰ সৈতে আলোচনা

ইয়াৰ পৰা দেখা গ'ল যে বালিজান মিলিজুলি জে এফ এম চিৰ অন্তৰ্গত ৩২০ হেক্টৰ বনাঞ্চল, য'ত ২৬০ হেক্টৰ 'ভাল' আৰু ৬০ হেক্টৰ 'ক্ষতিগ্ৰস্ত'।

## ১.২। বনভূমিৰ প্ৰকাৰ ঃ

বালিজান মিলিজুলি জে এফ এম চিৰ বনাঞ্চল সাৰুৱা প্ৰকৃতিৰ ভূমিত অৱস্থিত, (iii) আঠালেতীয়া আৰু (iv) ৰঙচুৱা আম্লিক মাটি (উৎস ঃ গুগল)।

**তালিকা- ২ ঃ বালিজান মিলিজুলি জে এফ এম চিৰ বনভূমিৰ প্ৰকাৰ**

| **পৰিমাপ** | **ন্যস্ত বনাঞ্চলৰ অৱস্থা** | **বৃক্ষৰোপিত অন্যান্য এলেকাৰ অৱস্থা** |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | উচ্চ | উচ্চ |
| ভূমি ক্ষয়ৰ অৱস্থা | ভূমি ক্ষয় নাই | ভূমি ক্ষয় নাই |
| উপস্থিতি ঃ<br>(ক) পলস | নাই | নাই |
| (খ) বোকামাটি | নাই | নাই |
| (গ) ন-উৰ্বৰ ভূমি | নাই | নাই |
| (ঘ) বালিচাহি | নাই | নাই |

## ১.৩। বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ

বালিজান মিলিজুলি জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ তলত দিয়া হ'ল। এইটো মন কৰিবলগীয়া যে স্থানীয় বনাঞ্চলসমূহ উজনি অসম সিক্ত গ্ৰীষ্মপ্ৰধান চিৰসেউজ বনাঞ্চলৰ শ্ৰেণীভুক্ত কৰা হৈছে।

| প্ৰজাতি | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|
| মুখ্য বন প্ৰজাতি | হোলোং | ডিপটেৰ'কাৰপাছমেক্ৰকাৰপাছ |
| সংঘভুক্ত | হলখ | টাৰ্মিনেলিয়া মাইৰিঅ'কাৰ্পা |
| | আজাৰ | লেগ্ৰোমিয়াস্পেচেচিঅ'চা |
| | অৰ্জুন | টাৰ্মিনেলিয়া অৰ্জুন |
| | ওদাল | ষ্টাৰকুলিয়াভিলোচা |
| | শিমলু | বম্বাক্সিবা |
| | বকুল | মিমুচোচেলেংগি |
| | শিৰিখ | আলবিজিয়ালেব্বেক |
| | ধূনা | কানাৰিয়াম ৰেছিনিফেৰাম |
| | চাম | আৰ্টোকাৰপাচচাপাছা |
| | নাহৰ | মেচোফেৰকা |
| | শশী | এক্কেলাটিয়াগালেচা |
| গুল্ম | বেতী বাঁহ | বাম্বুচামাষ্টাৰচিড |
| | ভেকুৰি | চোলানামিণ্ডিকাম |
| | বজল বাঁহ | চেডুষ্টাচিয়ামপলিমৰফাম |
| | বৰমানিমুনী | চেণ্ট্ৰেলাচিয়াটিকা |
| | ইকৰা, বতা | ক্লেৰোষ্টাছিয়াফুচকা (চাইন ঃ চাকাৰাম) |
| ঔষধি উদ্ভিদ | শিলিখা | টাৰ্মিচনালিয়াচেবুলা ৰেইজ্ |
| | ভোমোৰা, বহেৰা | ষ্টাৰ্মিনালিয়াবেল্লিৰিকা ৰক্সৱ্ |
| | থুতমালা | গাৰুগাপিন্নাটা |
| | ডালচেনি | চিন্নামুমামজেইলানিচাম |
| উৎপাদন | বাঁহ-জাতি বাঁহ, কেঁকোবাঁহ | বাম্বুছা<br>ডেণ্ড্ৰকেল্মাছমিল্টনী<br>টুল্ডা |
| | বেত-জাতি বেত, লেজাই বেত | কেলামাছ টেনুইছ<br>কেলামাছ ফ্লৰিবাণ্ডুছ |
| অন্যান্য, যদি আছে | - | - |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'গ।** বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ'/ বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যৰ সৈতে আলোচনা

## ২। বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচী

তলৰ উপশাখাসমূহত বালিজান মিলিজুলি জে এফ এম চিৰ বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচীসমূহ দিয়া হ'ল ঃ

### ২.১। জে এফ এম চিৰ অতীতৰ সুৰক্ষা ব্যৱস্থা

বালিজান মিলিজুলি জে এফ এম চিত অতীত লোৱা বন সুৰক্ষা ব্যৱস্থাসমূহ তলত আলোচনা কৰা হ'ল ঃ

ক) অন্তৰ্ভুক্ত পৰিয়াল ঃ ১০০

খ) অন্তৰ্ভুক্ত সদস্য ঃ ৬৫০

গ) ব্যৱস্থাৰ সাৰাংশ ঃ জে এফ এম চি গঠন হোৱাৰ আগতে ইয়াৰ সদস্যসকলৰ দ্বাৰা সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰাৰ কোনো তথ্য নাই।

ঘ) কোনো আনুষ্ঠানিক ব্যৱস্থা ঃ নাই

**(উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা**)**

### ২.২। বনজ উৎপাদনৰ ঘৰুৱা চাহিদা

স্থানীয় সম্প্ৰদায়ৰ ঘৰুৱা চাহিদাৰ বাবে বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীলতাৰ তথ্য তলৰ তালিকাত দাঙি ধৰা হ'ল।

**তালিকা- ৪ (ক) ঃ বালিজান মিলিজুলি জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

| বনজ উৎপাদনৰ নাম | পৰিয়ালৰ গড় চাহিদা | | বৰ্তমান কিভাৱে চাহিদা পূৰণ হৈছে | উৎস |
|---|---|---|---|---|
| | চাহিদাৰ সময় ব্যৱধান | আনুমানিক পৰিমাণ | | |
| কাঠখৰি | ১০০% | ৫৫০-৭৩০ কেজি | খুঁটা আৰু গছৰ ডালকটা | সংৰক্ষিত বনাঞ্চল |
| ঘৰৰ বাবে কাঠ (খুঁটা আকাৰত) | ৬০% | ৪-৫সংখ্যক | ঐ | ঐ |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | ১০০% | ০.৩-০.৪৫ এম ৩ | ঐ | ঐ |
| বাঁহ | ৬০%-৭০% | ৫০-৬০ সংখ্যক | গজালি কটা | ঐ |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ১০০% | ২১৯০ কেজি | ঘাঁহ-পাত কটা | ঐ |
| এন টি এফ পি | ১০০% | ১৮২-২০০ কেজি | নিয়মিত সংগ্ৰহ | ঐ |
| অন্যান্য | - | - | - | - |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

বালিজান মিলিজুলি জে এফ এম চিত মুঠ ১০০ ঘৰ পৰিয়াল আছে। ওপৰৰ তালিকা আৰু এই পৰিয়ালৰ সংখ্যাৰ পৰা এইটো গম পোৱা যায় যে বালিজান মিলিজুলি গাঁৱৰ বাবে বছৰি মুঠ বনজ উৎপাদনৰ চাহিদা নিজৰ ব্যৱহাৰৰ বাবে তলত দিয়া ধৰণৰ—

**তালিকা- ৪ (খ ) ঃ বালিজান মিলিজুলি জে এফ এম চিৰ সকলো পৰিয়ালৰ বনজ উৎপাদনৰ মুঠ বাৰ্ষিক চাহিদা**

| **বনজ উৎপাদনৰ নাম** | **সম্প্ৰদায়ৰ চাহিদা বাৰ্ষিক কিঃগ্ৰাঃ (*)** | **মন্তব্য** |
|---|---|---|
| কাঠখৰি | ৫৫০০০-৭৩০০০ | ৰন্ধন গেছৰ উপৰি গাঁওবাসীয়ে প্ৰতিদিনে ১.৫-২ কেজি ব্যৱহাৰ কৰে। |
| ঘৰৰ বাবে কাঠ (খুঁটা আকাৰৰ) | ২৪০-৩০০ সংখ্যক | |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | ৩০-৪৫ কিউবিক মিটাৰ | |
| খুঁটা / বাঁহ | ৩০০০-৪২০০ বাঁহ | বেৰা দিয়া, ঘৰ বনোৱা আৰু সামগ্ৰীৰ বাবে ব্যৱহাৰ কৰে |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ২১৯০০০ | |
| এন টি এফ পি | ১৮২০০-২০০০০ | |
| অন্যান্য | | |

**২.৩। গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সামগ্ৰী সংগ্ৰহ আৰু বিপণন**

পৰিয়ালৰ ঘৰুৱা ব্যৱহাৰৰ উপৰি এই ধৰণৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰত বিক্ৰীৰ জৰিয়তে গাঁওবাসী বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। বালিজান মিলিজুলি জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণনৰ তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল—

**তালিকা- ৫ (ক) ঃ বালিজান মিলিজুলি জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| **বনজ উৎপাদনৰ নাম** | **বিপণনৰ বাবে সংগ্ৰহ** | | | **সংগ্ৰহৰ স্থান** |
|---|---|---|---|---|
| | **ঋতু / মাহ** | **সংগ্ৰহকাৰী পৰিয়ালৰ সংখ্যা** | **সংগৃহীত সামগ্ৰীৰ গড় পৰিমাণ (কিঃ গ্ৰাঃ)** | |
| কাঠখৰি | অক্টো-মাৰ্চ | ১০-২০ শতাংশ | ৪৮০০-৯৬০০ | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | — | — | — | — |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | — | — | — | — |
| বাঁহ | অক্টো-মাৰ্চ | ১০ শতাংশ | ৪৮০০সংখ্যক | বনাঞ্চল |
| খুঁটা | — | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — | — |
| এন টি এফ পি | বছৰজুৰি | ৪০ শতাংশ | ৪৮০ | বনাঞ্চল |
| অন্যান্য | — | — | — | — |

**উৎস** ঃ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

ওপৰৰ তালিকাত উল্লিখিত তথ্যৰ লগত সম্পৰ্কিত কিছু প্ৰাসংগিক তথ্য তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ৫ (খ) ঃ বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| **বনজ উৎপাদনৰ নাম** | **উদ্বৃত্ত বিপণন (কিঃ গ্ৰাঃ)** | **কেনেদৰে বিপণন কৰা হয়** | **বনজ উৎপাদন বিক্ৰীৰ মাধ্যমেৰে প্ৰতিটো পৰিয়ালৰ গড় আয়** |
|---|---|---|---|
| কাঠখৰি | — | — | — |
| ঘৰৰ বাবে কাঠ | — | — | — |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | — | — | — |
| লাখুঁটি | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

**২.৪। বনজ উৎপাদনৰ মুঠ চাহিদা— ঘৰুৱা ব্যৱহাৰ আৰু বিপণনৰ বাবে**

পূৰ্বে উল্লেখ কৰা উপ-শাখাৰ তথ্যৰ ভিত্তিত বালিজান মিলিজুলি জে এফ এম চিৰ সম্প্ৰদায়ৰ সদস্যসকলৰ বনজ উৎপাদনৰ মুঠ চাহিদাৰ সাৰাংশ তলত দিয়া হ'ল।

**তালিকা- ৬ ঃ বালিজান মিলিজুলি জে এফ এম চিৰ গাঁওবাসীৰ বনজ উৎপাদনৰ মুঠ চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা (বাৰ্ষিক কিঃ গ্ৰাঃ) তাৰিকা-৪ (খ)ৰ পৰা | উদ্বৃত্ত বিপণন কৰা হৈছে তালিকা-৫ (খ)ৰ পৰা | মুঠ চাহিদা (কিঃ গ্ৰাঃ) |
|---|---|---|---|
| কাঠখৰি | — | — | — |
| ঘৰৰ বাবে কাঠ | — | — | — |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | — | — | — |
| খুঁটা | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

## ৩। বন সুৰক্ষা সংক্ৰান্তীয় বিষয়

### ৩.১। সুৰক্ষা সমস্যাসমূহ

বালিজান মিলিজুলি জে এফ এম চিৰ বনাঞ্চল সুৰক্ষাৰ বিষয়সমূহ সংক্ষিপ্তভাৱে তলত দিয়া হ'ল—

**তালিকা- ৭ ঃ বালিজান মিলিজুলি জে এফ এম চিৰ বন সুৰক্ষা সংক্ৰান্তীয় বিষয়সমূহ**

| সমস্যাৰ ধৰণ | প্ৰাসংগিক (হয়/নহয়) | গুৰুত্ব (হয়/নহয়) |
|---|---|---|
| চৰণীয়া পথাৰ-স্থানীয় পশু | হয় | হয় |
| চৰণীয়া পথাৰ- অন্যান্য এলেকাৰ পশু | নহয় | নহয় |
| বেআইনীভাৱে কাঠকটা | হয় | হয় |
| কাঠ চোৰাং চালান | নহয় | নহয় |
| দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড | নহয় | নহয় |
| বনভূমি বেদখল | হয় | নহয় |
| অন্যান্য (বন্যপ্ৰাণীৰ উপদ্ৰৱ) | হয় | নহয় |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

সেয়েহে, উপৰোক্ত জে এফ এম চিত বন সুৰক্ষা সংক্ৰান্তীয় বিষয়ত সন্মুখীন হোৱা বৈশিষ্ট্যসমূহ হ'ল—

**ক) স্থানীয় এলেকাৰ ঘৰচীয়া জন্তুৰ চাৰণ ভূমি**

### ৩.২। বনাঞ্চল অনুন্নয়নৰ কাৰণসমূহ

বালিজান মিলিজুলি জে এফ এম চিত বনাঞ্চল অনুন্নয়নৰ কাৰণসমূহ তলত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি—

**ক) স্থানীয় এলেকাৰ ঘৰুৱা জন্তুৰ অতিমাত্ৰা চাৰণ**

## ৪। বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ

বালিজান মিলিজুলি জে এফ এম চিত বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ তলৰ উপ-শাখাত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি, যেনে সুৰক্ষাৰ পৰিকল্পনা, বন উন্নয়ন (পৰিচৰ্যা), নাৰ্চ্চাৰী উন্নয়ন, ব্যৱস্থাপনা আৰু অতিৰিক্ত ক্ৰিয়া।

### ৪.১। সুৰক্ষা পৰিকল্পনা

সুৰক্ষা পৰিকল্পনাৰ বিষয়সমূহ তলত দিয়াৰ দৰে— বালিজান মিলিজুলি জে এফ এম চিৰ বন সুৰক্ষা সম্পৰ্কীয় বিষয়সমূহ পূৰ্বে আলোচিত উপ-শাখা ৩.১ৰ পৰা আলোচনা কৰা হৈছে।

**তালিকা- ৮ ঃ বালিজান মিলিজুলি জে এফ এম চিৰ সুৰক্ষা পৰিকল্পনা**

| সুৰক্ষা কৰ্ম (প্ৰযোজ্য হিচাপে প্ৰফ'ৰ্মা-৩ৰ তালিকা ৩.৭ৰ পৰা পূৰণ কৰা হ'ব | বনাঞ্চল এলেকাৰ অৱস্থিতি | ব্যৱস্থা গ্ৰহণৰ সংখ্যাগত মান নিৰ্ণয় (দৈৰ্ঘ্য, আয়তন, আকাৰ ইত্যাদি) | সময়-কাল | অগ্ৰাধিকাৰ (উচ্চ /মধ্যম/নিম্ন) |
|---|---|---|---|---|
| সামাজিক বেৰ | ইউ ডি এফ বি (ডব্লিউ বি), জি পি এছ স্থানাংক | দৈৰ্ঘ্য =<br>প্ৰস্থ =<br>কালি = | চৰণীয়া বতৰত | উচ্চ |
| অগ্নি সুৰক্ষা | নাই | নাই | নাই | নাই |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

গতিকে, বালিজান মিলিজুলি জে এফ এম চিত পৰিকল্পনা কৰা বৈশিষ্ট্যপূৰ্ণ প্ৰতিৰক্ষা ব্যৱস্থাসমূহ (উচ্চ/মধ্যম অগ্ৰাধিকাৰ) তলত দিয়াৰ দৰে—

ক) মাত্ৰ সামাজিক বেৰ

### ৪.২। প্ৰস্তাৱিত কাম-কাজৰ প্ৰকাৰ

বালিজান মিলিজুলি জে এফ এম চি-ৰ বনাঞ্চলৰ ক্ষতিগ্ৰস্ত এলেকাসমূহৰ নিৰাময়ৰ বাবে প্ৰস্তাৱিত কাম-কাজৰ প্ৰকাৰ তলত উল্লেখ কৰা হ'ল।

**তালিকা- ৯ ঃ বালিজান মিলিজুলি জে এফ এম চি-ৰ প্ৰস্তাৱিত কাম-কাজৰ প্ৰকাৰ**

| নিৰাময় ব্যৱস্থা | প্ৰয়োজনীয় (হয়/নহয়) | জে এফ এম চি-ৰ দায়িত্ব (হয়/নহয়) | মাহ/বছৰ যেতিয়া কৰিব পাৰি | নিৰাময় ব্যৱস্থাৰ বাবে প্ৰস্তাৱিত বৰ্ধিত এলেকা (হেক্টৰ) |
|---|---|---|---|---|
| ক্ষতিগ্ৰস্ত বনাঞ্চলৰ পুনৰুদ্ধাৰ | হয় | হয় | মাৰ্চ-জুলাই | ৫০ |
| কটা গছৰ গুৰিৰ সুৰক্ষা | নহয় | নহয় | নহয় | নহয় |
| জল বিভাজিকা নিৰাময় | নহয় | নহয় | নহয় | নহয় |
| জলাধাৰ | নহয় | নহয় | নহয় | নহয় |
| ঘাঁহ আৰু তৃণভূমিৰ কাম | হয় | হয় | নহয় | ১০ |
| বাঁহ ৰোপণ | নহয় | নহয় | নহয় | নহয় |
| বীজ সিঁচা | হয় | হয় | এপ্ৰিল-জুন | ১০ |
| শিপা আৰু অংকুৰ কটা আৰু ৰোপণ | নহয় | নহয় | জুন-জুলাই | |
| কলম আৰু নিৰাময় | নহয় | নহয় | নহয় | নহয় |
| বাস্তৱিক বেৰ | হয় | হয় | নৱে-ফেব্ৰুৱাৰী | ৫০ |
| সামাজিক বেৰ | হয় | হয় | জুন-জুলাই | ১০০ |
| অন্যান্য কাম-কাজ | নহয় | নহয় | নহয় | নহয় |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

এইদৰে নিম্নোক্ত নিৰাময় ব্যৱস্থাসমূহ বালিজান মিলিজুলি বনাঞ্চল সুৰক্ষাৰ বাবে প্ৰস্তাৱ দিয়া হৈছে।

ক) বীজ সিঁচা

খ) শিপা আৰু অংকুৰ কটা আৰু ৰোপণ

গ) বাস্তৱিক বেৰ

ঘ) সামাজিক বেৰ

## ৪.৩। বনাঞ্চল উন্নয়ন পৰিকল্পনা— অগ্ৰিম কাম-কাজ আৰু বন সৃষ্টি

ওপৰত উল্লেখ কৰা বিষয়সমূহৰ সৈতে সংশ্লিষ্ট বিষয়বিলাক তলত দিয়া তালিকাত উল্লেখ কৰা হ'ল।

**তালিকা- ১০ ঃ বালিজান মিলিজুলি জে এফ এম চি-ৰ বনাঞ্চল উন্নয়ন পৰিকল্পনা**

| **নিৰাময় ব্যৱস্থা** | **ৰোপণৰ বাবে হেক্টৰৰ হিচাপত নিৰ্দ্ধাৰিত এলেকা** | **ব্লক ৰোপণৰ বাবে অগ্ৰাধিকাৰ** | **প্ৰজাতি** | **স্থান ব্যৱধান (মিটাৰ × মিটাৰ)** |
|---|---|---|---|---|
| প্ৰাকৃতিকভাৱে পুনৰুজ্জীৱিতকৰণত সহায়তা (ৰোপণৰ স্থান ব্যৱধানসহ) | ২০হে /৫ বছৰৰ বাবে | ২০হে খণ্ড ৰোপণ | হলং, হলখ আজাৰ আদি | ২×২ |
| খণ্ড ৰোপণ | ২০(কাঠ খৰি) হে ২০হে /৫ বছৰৰ বাবে | ২০হে কাঠখৰি খণ্ড ৰোপণ | মজ | ২×২ |
| ভেষজ উদ্ভিদ ৰোপণ (নিম, আমলখি) | ২০হে /৫ বছৰৰ বাবে | ২০হে ভেষজ উদ্ভিদ খণ্ড ৰোপণ | | ২×২ |
| সমৃদ্ধকৰণ ৰোপণ | ০ | | | |
| পোনপটীয়া ৰোপণ<br>অন্যান্য<br>**মুঠ এলেকা (হেক্টৰ)** | ০<br>০<br>৬০ হেক্টৰ /বছৰ | | | |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

## ৪.৪। বনাঞ্চল উন্নয়ন —(কৰ্ম আঁচনি পৰিশিষ্টত সন্নিৱিষ্ট কৰা হৈছে)

## ১.১। নাৰ্চ্চাৰী উন্নয়ন পৰিকল্পনা

বালিজান মিলিজুলি জে এফ এম চিৰ বাবে গ্ৰহণ কৰা নাৰ্চ্চাৰী উন্নয়ন পৰিকল্পনা সমিতি আৰু বন বিভাগৰ বিষয়াৰ লগত আলোচনা কৰি তলত দিয়া হ'ল ঃ

| ক্ৰমিক নং | বিৱৰণ | স্থান | কালি | মন্তব্য |
|---|---|---|---|---|
| ১ | কেন্দ্ৰীয় নাৰ্ছাৰী / বৃক্ষৰোপণৰ বাবে মানুহৰ নাৰ্ছাৰী, বিভিন্ন কাৰণত বিনামূলীয়া বিতৰণ, জে এফ এম চিৰ উপাৰ্জনৰ বাবে বিক্ৰী | জে এফ এম চিৰ সীমাৰ ভিতৰত | ৩ হেক্টৰ | ৩ লাখ পুলি উৎপাদনৰ বাবে ৪০০ বেড তৈয়াৰ, পোনপটীয়া আৰু ওখ ৰোপণৰ বীজ সিঁচা; ২ লাখ উৎপাদনৰ বাবে ১৯,৯১,৫৪১ টকা খৰচত ৫০ মাতৃ বেড উৎপাদন। (পৰিশিষ্ট ২ ) |
| ১ | কেন্দ্ৰীয় নাৰ্ছাৰী / বৃক্ষৰোপণৰ বাবে মানুহৰ নাৰ্ছাৰী, বিভিন্ন কাৰণত বিনামূলীয়া বিতৰণ, জে এফ এম চিৰ উপাৰ্জনৰ বাবে বিক্ৰী | জে এফ এম চিৰ সীমাৰ ভিতৰত | হেক্টৰ | ১ লাখ পুলি উৎপাদনৰ বাবে ১৩৫ বেড তৈয়াৰ, পোনপটীয়া আৰু ওখ ৰোপণৰ বীজ সিঁচা; ১ লাখ উৎপাদনৰ বাবে ১৭,৬৮,০১৫ টকা খৰচত ২৫ মাতৃ বেড উৎপাদন। (পৰিশিষ্ট ৩) |

## ১.২। নাৰ্ছাৰী কৰ্ম পৰিকল্পনা

**বালিজান মিলিজুলি জে এফ এম চিৰ বাবে নাৰ্ছাৰী কৰ্ম পৰিকল্পনা**

| ক্ৰমিক নং | বিৱৰণ | ২০১৫-১৬ টকা | ২০১৬-১৭ টকা | ২০১৭-১৮ টকা | ২০১৮-১৯ টকা | ২০১৯-২০২০ টকা |
|---|---|---|---|---|---|---|
| ১ | ৩ হেক্টৰ নাৰ্ছাৰী (সৃষ্টি আৰু প্ৰতিপালন) | ০ | ১৯,৯১,৫৪১ | ০ | ০ | ০ |
| | প্ৰতিপালন (সৃষ্টিৰ ৬০ শতাংশ) | ০ | | ১১,৯৪,৯২৫ | ১১,৯৪,৯২৫ | যদি কৰা হৈছে চলি থাকিব |
| ২ | ১ হেক্টৰ নাৰ্ছাৰী (সৃষ্টি আৰু প্ৰতিপালন) | ০ | ১৭,৬৮,১০৫ | ০ | ০ | ০ |
| | প্ৰতিপালন (সৃষ্টিৰ ৬০ শতাংশ) | ০ | ০ | ১০,৬০,৮৯০ | ১০,৬০,৮৯০ | যদি কৰা হৈছে চলি থাকিব |

**১.৩। প্ৰতিপালন পৰিকল্পনা-১০ বছৰ (ৰোপণৰ কৰ্মপৰিকল্পনাত ওপৰত উল্লেখ কৰাৰ দৰে)**

**২। প্ৰত্যাশিত লাভ**

বালিজান মিলিজুৰি সদস্যসকলে প্ৰদান কৰা বন সুৰক্ষাৰ পৰা আশা কৰা লাভ এই উপ-শাখাত প্ৰদান কৰা হৈছে । লগতে অংশীদাৰিত্ব কৰ্মসূচীৰ লাভো দিয়া হৈছে।

**২.১। কাঠ আৰু ঘাঁহ-বনৰ প্ৰত্যাশিত লাভ**

বালিজান মিলিজুলি জে এফ এম চিৰ বাবে ওপৰৰ বিষয়টো তলত তালিকাবদ্ধ কৰা হৈছে। এই সম্ভাৱনীয় লাভ হৈছে বন উন্নয়ন পৰিকল্পনাৰ অধীনত ইয়াৰ সদস্যসকলৰ দ্বাৰা কৰা বন সুৰক্ষাৰ লাভ।

**তালিকা- ১৪ ঃ বালিজান মিলিজুলি যুটীয়া বন পৰিচালনা সমিতিৰ অন্তৰ্গত বনাঞ্চলৰ সদস্যসকলে আশা কৰা লাভ**

| দ্ৰব্য | মাহ | বৰ্ষ | পৰিমাণ |
|---|---|---|---|
| কাঠখৰি | বছৰজুৰি | ২০২৬-২৭ পৰ্যন্ত | — |
| গৃহ নিৰ্মাণৰ বাবে কাঠ | বছৰজুৰি | ২০৪০ পৰ্যন্ত | — |
| সা-সঁজুলি নিৰ্মাণৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | বছৰজুৰি | ২০৩০ পৰ্যন্ত | |
| খুঁটা | — | — | — |
| বনাঞ্চলৰ গছ আৰু ঘাঁহৰ পৰা পশুখাদ্য | বছৰজুৰি | ২০২৬-২৭পৰ্যন্ত | — |
| কাঠ ভিন্ন বনজ সম্পদ | বছৰজুৰি | ২০৩৫পৰ্যন্ত | — |
| বেতন | বছৰজুৰি | ২০১৬-১৭পৰ্যন্ত | — |
| অন্যান্য | — | — | — |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.১৪**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

**২.২। অংশীদাৰিত্ব বিতৰণ**

বালিজান মিলিজুলি যুটীয়া বন পৰিচালনা সমিতিৰ অন্তৰ্গত বনাঞ্চলত অংশীদাৰিত্ব বিতৰণ এনেধৰণৰ ঃ

**তালিকা- ১৫ ঃ বালিজান মিলিজুলি জে এফ এম চিৰ অংশীদাৰিত্ব বিতৰণ**

| পদ্ধতি | দ্ৰব্য |
|---|---|
| সমবিতৰণ | কাঠ ভিন্ন বনজ সম্পদ |
| সদস্যসকলৰ পৰা মুকলিভাৱে সংগ্ৰহ কৰা | কাঠখৰি |
| অন্যান্য পদ্ধতি | কাঠ ভিন্ন বন উৎপাদনৰ সংসাধন |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.১৫**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

# ৬। পৰিশিষ্ট তালিকা

| পৰিশিষ্ট নং | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | **মানচিত্ৰ**<br>গাঁৱৰ মানচিত্ৰ<br>গাঁৱৰ সামাজিক মানচিত্ৰ<br>গাঁৱৰ সম্পদৰ মানচিত্ৰ | |
| ২ | **গাঁৱৰ ভূমি ব্যৱহাৰৰ মানচিত্ৰ (জি আই এছ)** | |
| ৩ | **পি আৰ এ অনুশীলন** | |
| ৪ | সামাজিক মানচিত্ৰায়ন<br>সম্পদৰ স্থানাংক<br>সময়কালীন সমীক্ষা<br>জীৱিকাৰ ঋতু<br>ভেন ডায়েগ্ৰাম<br>চাপাট্টি ডায়েগ্ৰাম<br>অগ্ৰাধিকাৰ স্থানাংক-জীৱিকাৰ ক্ষমতা আৰু ই পি এ<br>**আলোকচিত্ৰ** | |
| ৫ | জে এফ এম চি-ৰ সদস্যসকলৰ তালিকা | |
| ৬ | পূৰণ কৰা তালিকা (প্ৰফ'ৰ্মা ১ৰ পৰা প্ৰফ'ৰ্মা ৪)<br>তালিকাৰ সংখ্যা- ১-৩৭ | |

# পৰিশিষ্ট I

## কেনেদৰে উপস্থিত হ'ব ঃ

### গুৱাহাটীৰ পৰা ডিগবৈৰ দূৰত্ব, অৱস্থিতি, পথৰ মানচিত্ৰ আৰু নিৰ্দেশনা

ডিগবৈ ভাৰতৰ অসমত ৯৫.৬১ দ্ৰাঘিমাংশ আৰু ২৭.৪ অক্ষাংশত অৱস্থিত। আনহাতে অসমত গুৱাহাটী ভাৰতৰ ৯১.৭৫ দ্ৰাঘিমাংশ আৰু ২৬.১৯ অক্ষাংশত অৱস্থিত।

### গুৱাহাটী আৰু ডিগবৈ মাজৰ দূৰত্ব


গুৱাহাটী আৰু ডিগবৈৰ মাজৰ পোনপটীয়া দূৰত্ব ৫০৩ কিঃ মিঃ। এয়া হৈছে পোনপটীয়া সৰলৰৈখিক দূৰত্ব। কিন্তু একা-বেঁকা পথৰ কাৰণে গুৱাহাটী আৰু ডিগবৈ মাজৰ প্ৰকৃত ভ্ৰমণ দূৰত্ব তাতোকৈ অধিক হ'বগৈ পাৰে।

### গুৱাহাটীৰ পৰা ডিগবৈৰ যাতায়াত সময়

ডিগবৈ গুৱাহাটীৰ পৰা প্ৰায় ৫০৩ কিলোমিটাৰ দূৰত্ব অৱস্থিত, গতিকে আপুনি যদিও ঘণ্টা ৫০ কিলোমিটাৰ গতিবেগত ডিগবৈৰ পৰা যাত্ৰা কৰে তেতিয়া হ'লে গুৱাহাটী পাওঁতে সময় লাগিব পাৰে ৮.১২ ঘণ্টা। বাছ, ৰে'ল বা আপুনি ব্যৱহাৰ কৰা বাহনৰ গতিবেগৰ ওপৰত নিৰ্ভৰ কৰি গুৱাহাটীৰ যাত্ৰাসময় কম-বেছি হ'ব পাৰে।

### ডিগবৈৰ পৰা গুৱাহাটীলৈ বাছ


ঘণ্টা ৬০ কিলোমিটাৰ বেগত বাছ এখনে গতি নিয়ন্ত্ৰণ কৰিলে মুঠ যাত্ৰাকালত ডিগবৈৰ পৰা গুৱাহাটী পাবলৈ ১১ ঘণ্টাৰ ভিতৰত সময় লাগিব পাৰে। ৰাস্তাৰ অৱস্থা আৰু পথৰ ভিন্নতাভেদে এই সময়সীমা হ্ৰাস-বৃদ্ধি ঘটিব পাৰে। ডিগবৈৰ পৰা গুৱাহাটীলৈ বাছৰ ভাৰা প্ৰায় ৫৫০ টকাৰ ভিতৰত।





**উৎস ঃ গুগল মানচিত্ৰ**

# পৰিশিষ্ট I


## অৱস্থান মানচিত্ৰ



## বালিজান মিলিজুলি জে এফ এম চিৰ গাঁৱৰ মানচিত্ৰ




## গাঁৱৰ সামাজিক মানচিত্ৰ




***গাঁওবাসীৰ দ্বাৰা অংকিত গাঁৱৰ সামাজিক মানচিত্ৰ***


## সম্পদ মানচিত্ৰ




*গাঁওবাসীৰ দ্বাৰা অংকিত সম্পদ মানচিত্ৰ*

# পৰিশিষ্ট II

## জে এফ এম চিৰ ভূমি ব্যৱহাৰৰ মানচিত্ৰ/সম্পদ মানচিত্ৰ (জি আই এছ)



# পৰিশিষ্ট ৩

## অংশগ্ৰহণমূলক গ্ৰামীণ কাৰ্যসূচী (পি আৰ এ)

## অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়নৰ স্থান আৰু সময় ঃ

| | | |
|---|---|---|
| অংশগ্ৰহণকাৰীৰ সংখ্যা | ঃ | ৩০ |
| সময় | ঃ | ২০ এপ্ৰিল, ২০১৭ৰ পুৱা ১০.৩০ বজাত |
| স্থান | ঃ | পঞ্চায়ত কাৰ্যালয় (বালিজান মিলিজুলি গাঁও) |

তালিকা-৩.১ বালিজান মিলিজুলি জে এফ এম চি অন্তৰ্গত গাঁওসমূহৰ বিষয়ে বৰ্ণনা

| **ক্ৰমিক নং** | **গাঁৱৰ নাম** | **পৰিয়ালৰ সংখ্যা** | **জনসংখ্যা** | | |
|---|---|---|---|---|---|
| | | | **মুঠ** | **পুৰুষ** | **মহিলা** |
| ১ | বালিজান মিলিজুলি | ১০০ | ৬৫০ | ৩৭০ | ২৮০ |

**উৎস ঃ ক্ষেত্ৰ সমীক্ষা**

পি আৰ এ অনুশীলনৰ সময়ত ব্যৱহাৰ কৰা বিভিন্ন সৰঞ্জামসমূহ

- ক) সামাজিক মানচিত্ৰায়ন
- খ) সম্পদ স্থানাংক
- গ) সময় সীমাপৰ্যবেক্ষণ
- ঘ) ঋতুগত বিশ্লেষণ
- ঙ) চাপাট্টি ডায়েগ্ৰাম

## ৩.১। সামাজিক মানচিত্ৰায়ন (মেপিং) ঃ

বিভিন্ন সামাজিক-অৰ্থনৈতিক বিষয়বোৰক লৈ আলোচনা আৰু মানচিত্ৰৰ ব্যৱহাৰৰ জৰিয়তে বালিজান মিলিজুলি জে এফ এম চিৰ আৰ্থ-সামাজিক অৱস্থা গভীৰভাৱে অধ্যয়নৰ বাবে গাঁওবাসী আৰু উদগনি দাতাসকলক সহায়ৰ উদ্দেশ্যে সামাজিক মানচিত্ৰায়ন ব্যৱহাৰ কৰা হয়। সামাজিক মানচিত্ৰৰ জৰিয়তে সম্প্ৰদায়ৰ উপলব্ধ আন্তঃগাঁথনি, সামাজিক গাঁথনি, প্ৰতিষ্ঠানসমূহ, বৃত্তি আদিৰ তথ্য দাঙি ধৰাৰ বাবে যথোপযুক্ত প্ৰচেষ্টা চলোৱা হয়। ইয়াৰ পূৰ্বে এই প্ৰকল্পৰ বিষয়ে সজাগতা শিবিৰ অনুষ্ঠিত কৰা হয়। গতিকে বিদ্যালয়ত পি আৰ এ প্ৰক্ৰিয়াৰ বাবে মানুহক গোট খুওৱাটো সহজ। গাঁওবাসীৰ উৎসাহ প্ৰশংসনীয় আৰু তেওঁলোকে সক্ৰিয়ভাৱেই মানচিত্ৰায়ন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিছে।

প্ৰথমে গাঁৱৰ লোকসকলক গাঁওখনৰ পথসমূহৰ মানচিত্ৰ আঁকিবলৈ কোৱা হয়। তাৰপিছত তেওঁলোকৰ আৱাস, গুৰুত্বপূৰ্ণ সামাজিক স্থানসমূহ আৰু চৰকাৰী কাৰ্যালয়সমূহৰ অৱস্থান পি আৰ এ দলৰ সদস্যসকলৰ সহায়ত আঁকিবলৈ কোৱা হয়। দুজন সদস্যই স্বতঃপ্ৰণোদিতভাৱে মানচিত্ৰ আঁকিবলৈ আগবাঢ়ি আহে আৰু তেওঁলোকক সহায় কৰে গাঁৱৰ অন্যান্য বাসিন্দা আৰু দলৰ সদস্যসকলে। মানচিত্ৰত গাঁৱৰ সকলো বাসিন্দাই নিজৰ নিজৰ আৱাসৰ অৱস্থান দেখুৱাই দিয়ে। মানচিত্ৰায়ন প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পিছত দলৰ সদস্যসকলে পৰিয়ালসমূহৰ ঘৰৰ ধৰণ সম্পৰ্কীয় তথ্যসমূহ যেনে পকীঘৰ, অৰ্ধ-পকীঘৰ, ইন্দিৰা আৱাস যোজনাৰ ঘৰ আৰু খেৰৰ ঘৰ সম্পৰ্কে তথ্যসমূহ সংগ্ৰহ কৰে।

**তালিকা-৩.২ ঃ বালিজান মিলিজুলি গাঁও সম্পৰ্কে তথ্য**

| | **বিৱৰণ** | **সংখ্যা** |
|---|---|---|
| সামাজিক তথ্য | মুঠ জনসংখ্যা | ৬৫০ |
| | পুৰুষ | ৩৭০ |
| | মহিলা | ২৮০ |
| | মুঠ পৰিয়াল | ১০০ |
| | পকী ঘৰৰ সংখ্যা | ৭০ |
| | অৰ্ধ-পকীঘৰৰ সংখ্যা | ২০ |
| | টিনৰ চালিৰ কেঁচাঘৰৰ সংখ্যা | ১০ |
| | জান-জুৰি | ১ |
| | সামূহিক স্বাস্থ্য কেন্দ্ৰ | ১ |
| | ৰাজহুৱা সভাঘৰ | ০ |
| | দমকল | ১০০ |
| | কুঁৱা | ১ |

**উৎস ঃ ক্ষেত্ৰ সমীক্ষা প্ৰতিবেদন**

## সামাজিক মানচিত্ৰত সন্ধান

- সামাজিক মানচিত্ৰায়নত অংশগ্ৰহণকাৰীসকলে ১০০টা পৰিয়ালক চিহ্নিত কৰে। ইয়াৰে ৭০টা পৰিয়ালৰ আৱাস পকী আৰু ২০টা পৰিয়ালৰ আৱাস অৰ্ধপকী। বাকী ১০টা পৰিয়ালৰ ঘৰ কেঁচা টিনৰ চালিৰ সৈতে।

  এইবোৰৰ উপৰি পৰিয়ালসমূহৰ শ্ৰেণীভিত্তিক বিভাজন, ইয়াৰ উপৰি গুৰুত্বপূৰ্ণ স্থান যেনে ৰাজহুৱা সভা ঘৰ, বিদ্যালয়, দমকল আৰু কুঁৱা, সামূহিক স্বাস্থ্য কেন্দ্ৰ, নামঘৰ আৰু গীৰ্জাৰ অৱস্থানো মানচিত্ৰত অংকিত কৰা হয়।
- গাঁওবাসীৰ পানীৰ এটা প্ৰধান উৎস হৈছে দমকল। ইয়াত মাত্ৰ এটা ৰাজহুৱা কুঁৱা জে এফ এম চিৰ এলেকাৰ ভিতৰত আছে, যিটো গাঁৱৰ লোকসকলে দৈনন্দিন ব্যৱহাৰৰ বাবে ব্যৱহাৰ কৰে। শস্য ভূমিৰ বাবে প্ৰয়োজনীয় পানীৰ বাবে গাঁওবাসীয়ে বৰষুণৰ ওপৰত নিৰ্ভৰ কৰে।
- গাঁৱত প্ৰাথমিক শিক্ষা ব্যৱস্থা পৰ্যাপ্ত, এই গাঁওখনত এখন প্ৰাথমিক বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰ আছে।
- গাঁওখনত ভিতৰত কোনো ৰাজহুৱা সভাঘৰ নাই।
- গাঁওখনৰ বেছিভাগ বাসিন্দা অনুসূচিত জাতি, অন্যান্য পিছপৰা আৰু সাধাৰণ শ্ৰেণীৰ। মাত্ৰ কেইজনমানহে অনুসূচিত জনজাতি সম্প্ৰদায়ৰ। খ্ৰীষ্টান ধৰ্মী লোকো গাঁওখনত আছে। গাঁওবাসীৰ প্ৰধান ধৰ্ম হ'ল হিন্দু আৰু খ্ৰীষ্টান।

**জ্ঞাত তথ্য ঃ**

- বালিজান মিলিজুলি গাঁৱৰ ১০০ ঘৰ পৰিয়ালতে বিদুৎ ব্যৱস্থা আছে। ৮০ ঘৰত ৰন্ধন গেছৰ সংযোগ আছে। ২০ ঘৰে বৰ্তমানেও বনৰ ওপৰত নিৰ্ভৰশীল আৰু ৰন্ধন কাৰ্যত তেওঁলোকে কাঠখৰি ব্যৱহাৰ কৰে। তেওঁলোকে বনাঞ্চললৈ গৈ গছৰ ডাল, গা-গছ আদি কাঠখৰিৰ বাবে সংগ্ৰহ কৰে। মাজে সময়ে গাঁওবাসীয়ে তেওঁলোকৰ ব্যক্তিগত ব্যৱহাৰৰ বাবে বনাঞ্চলৰ গছ কাটি আনে, যিটোৱে বন ধ্বংসৰ এক কাৰণ হিচাপে বন বিভাগক শংকিত কৰি তুলিছে।
- এখন প্ৰাথমিক বিদ্যালয় আৰু এটা অংগনৱাড়ী কেন্দ্ৰ জে এফ এম চি এলেকাৰ ভিতৰত অৱস্থিত। প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ডাকঘৰ, বেংক, আৰক্ষী থানা আৰু ৰে'ল ষ্টেচন জে এফ এম চিৰ বাহিৰত ক্ৰমে কছাৰি গাঁও, বালিজান, থাৰ্মেল আৰু ডিগবৈত অৱস্থিত আৰু জে এফ এম চিৰ পৰা এইসমূহৰ দূৰত্ব ক্ৰমে ১ কিলোমিটাৰ, ২ কিলোমিটাৰ, ১৩ কিলোমিটাৰ আৰু চাৰি কিলোমিটাৰ। উচ্চ মাধ্যমিক বিদ্যালয় জে এফ এম চি এলেকাৰ পৰা এক কিলোমিটাৰ দূৰৈত ডিগবৈত অৱস্থিত।
- গাঁওখনত কোনো ৰাজহুৱা সভাঘৰ নাই। সেয়েহে গাঁওবাসীয়ে সামাজিক অনুষ্ঠান আৰু আনুষ্ঠানিক সভা আদি আয়োজন কৰাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সৃষ্টি হয়।
- ঘৰচীয়া পশুৰ খাদ্যৰ বাবে বনাঞ্চলেই হৈছে পৰ্যাপ্ত উৎস আৰু পশুপালনৰ সামৰ্থ্য থকা পৰিয়ালবিলাকে বনাঞ্চলৰ উৎসকে ব্যৱহাৰ কৰে। বালিজান মিলিজুলি জে এফ এম চিৰ গাঁওবাসী শস্যৰ অৱশিষ্ট অংশ, গছ-গছনিৰ পাত, ঘাঁহ, সেউজীয়া খাদ্য আদিৰ ওপৰত সম্পূৰ্ণভাৱে নিৰ্ভৰশীল। শস্য চপোৱাৰ পিছত পথাৰত ৰৈ যোৱা অৱশিষ্ট অংশ যেনে শস্যৰ গছৰ গুড়ি, কাণ্ড, পাত আৰু মাহজাতীয় শস্যৰ বাকলি আদি পশুখাদ্য হিচাপে ব্যৱহাৰ কৰা হয়।
- বালিজান মিলিজুলি জে এফ এম চিত কেইখনমান চৰণীয়া পথাৰ আছে। যিকেইখন গাঁওবাসীয়ে পশু চাৰণৰ বাবে ব্যৱহাৰ কৰে। এই পথাৰসমূহ সৰ্বোচ্চ ছমাহৰ বাবে ব্যৱহাৰ কৰিব পাৰে।
- বালিজান মিলিজুলি জে এফ এম চিৰ গাঁওবাসীয়ে সাপ্তাহিক বজাৰৰ বাবে ১৫ কিলোমিটাৰ দূৰৈৰ টিঙৰিলৈ যাবলগীয়া হয়।

## ৩.২। সম্পদৰ স্থানাংক


সম্প্ৰদায়ৰ বিভিন্ন ধৰণৰ সম্পদৰ গৰাকীৰ অৱস্থা চিহ্নিত আৰু বিশ্লেষণ কৰি পৰিয়ালসমূহৰ সদস্যসকলৰ সম্পদৰ স্থানাংক বা ভাল-বেয়া অৱস্থাৰ স্থানাংক নিৰ্ধাৰণ কৰা হয়। এই স্থানাংক নিৰ্ধাৰণে প্ৰকল্পৰ হিতাধিকাৰীসকলৰ আৰ্থ-সামাজিক স্তৰ নিৰ্ধাৰণৰ বিষয়ে জনাত মূল্যায়নকাৰীসকলক সহায় কৰে আৰু স্থানীয় মানুহৰ সম্পদ/অৱস্থা আদিৰ সংজ্ঞা আৰু সূচক নিৰ্ধাৰণতো সহায় কৰে। নিম্নোক্ত মানৰ ভিত্তিত সম্পদৰ স্থানাংক নিৰ্ধাৰণ কৰা হৈছে ঃ

ক) ভূমি ধাৰণ

খ) বৃত্তি

এই স্থানাংক নিৰ্ধাৰণৰ জৰিয়তে দেখা গৈছে যে প্ৰায় ৩০ শতাংশ লোক দৰিদ্ৰ, প্ৰায় ৬৫ শতাংশ মধ্যবিত্ত শ্ৰেণীৰ আৰু প্ৰায় ৫ শতাংশ ধনী হিচাপে শ্ৰেণীভুক্ত। দৰিদ্ৰ লোকসকল ঘাইকৈ অনিয়মিত দিন হাজিৰা কৰা বনুৱা, উপান্ত কৃষক আৰু নিয়মিত বনুৱা।

**তালিকা- ৩.২ ঃ সম্পদৰ স্থানাংক**




**উৎস ঃ** ক্ষেত্ৰ সমীক্ষা প্ৰতিবেদন

## ৩.৩। সময়কালীন সমীক্ষা

সুদীৰ্ঘকাল দৰি সংঘটিত ঐতিহাসিক ঘটনা তথা অতীতৰ গুৰুত্বপূৰ্ণ ঘটনাবোৰ সম্পৰ্কে জানিবলৈ দলটোৱে সময়কালীন বিশ্লেষণ সম্পন্ন কৰে। দলৰ সদস্যসকলে স্থানীয় ঘটনাবোৰ সম্পৰ্কে গাঁওবুঢ়া, বয়োজ্যেষ্ঠ লোক-তৰুণসকলৰ সৈতেও তেওঁলোকৰ ধাৰণা সম্পৰ্কে আলোচনা কৰে আৰু পৰিস্থিতিৰ লগত তেওঁলোকে কিদৰে মোকাবিলা কৰিছিল, তেওঁলোকৰ জীৱনত আৰু গাঁওখনৰ উন্নয়নৰ ক্ষেত্ৰত সেইবোৰ ঘটনাৰ কি প্ৰভাৱ পৰিছিল সেই সম্পৰ্কেও জানিব বিচাৰে। সেইবোৰ ঘটনাৰ সময়কালীন বিৱৰণ তলত দিয়া হ'ল ঃ

**তালিকা- ৩.৩ ঃ সময়কালীন সমীক্ষা**

| বছৰ | ঘটনা | ধৰণ |
|---|---|---|
| ১৯৫০ | গাঁওখন গঠন হৈছিল | গঠনাত্মক |
| ২০০৮ | বানপানীৰ ফলত গাঁওখনৰ জনসাধাৰণ ওপৰত ব্যাপক প্ৰভাৱ পৰিছিল | ধ্বংসাত্মক |
| ২০১১ | ডঃ ভূপেন হাজৰিকা, ডঃ বি আৰ আম্বেদকাৰৰ প্ৰতিমূৰ্তি নিৰ্মাণ | গঠনাত্মক |
| ২০১৬ | জে এফ এম চি গঠন | গঠনাত্মক |

**উৎস ঃ ক্ষেত্ৰ সমীক্ষা প্ৰতিবেদন**

বালিজান মিলিজুলি গাঁও বিভিন্ন প্ৰক্ৰিয়াৰ মাজেৰে এক ইতিহাস আছে।

১৯৫০ চনত এই গাঁওখন গঠন হয়।

২০০৮ বৰ্ষত জে এফ এম চি এলেকাত বানপানী হয়, যাৰ দ্বাৰা জনসাধাৰণ বৰ বেয়াকৈ প্ৰভাৱিত হৈছিল।

২০১১ চনত ডঃ ভূপেন হাজৰিকা আৰু ডঃ বি আৰ আম্বেদকাৰৰ দুটা প্ৰতিমূৰ্তি নিৰ্মাণ কৰা হয় যাতে জনসাধৰাণৰ মাজত সাংস্কৃতিক সমন্বয় স্থাপন কৰিব পৰা যায়।

২০১৬ বৰ্ষত এই জে এফ এম চি গঠন হোৱাটো এক বৃহৎ সাফল্য বুলি ক'ব পৰা যায়, অবৈধ কাৰ্যকলাপ ৰোধ আৰু বনাঞ্চল সংৰক্ষণৰ কাৰণে গাঁওবাসীৰ মাজতে সচেতনতা সৃষ্টি আৰু অন্যান্য কাৰ্যসূচীৰে এই প্ৰকল্প সফল কৰি আগন্তুক প্ৰজন্মৰ বাবে সুৰক্ষিত কৰি ৰাখিব পৰাটো।

এই জে এফ এম চিয়ে বিভিন্ন বৃক্ষৰোপণ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে যাতে বনাঞ্চল এলেকা পুনৰ গঠন কৰিব পৰা যায়।

**জ্ঞাত তথ্য ঃ**

- গাঁওবাসীয়ে এই বিষয়ত সজাগ হৈছে যে বনাঞ্চলৰ গছ কটাৰ ফলত এওঁলোকৰ পশুধনৰ সংখ্যাও কমি যাব।
- গাঁওবাসীৰ সৈতে হোৱা আলোচনাৰ পৰা এইটো কথা লক্ষ্য কৰিব পৰা গৈছে যে তেওঁলোক ক্ৰমান্বয়ে বন সংৰক্ষণৰ প্ৰতি সজাগ হৈ আহিছে, জে এফ এম চি গঠনৰ পিছত আমি এইটো ক'ব পাৰো যে তেওঁলোকে বৃক্ষৰোপণ প্ৰক্ৰিয়াটো অংশগ্ৰহণ কৰি আহিছে।

## ৩.৪। জীৱিকা কাৰ্যসূচীৰ ঋতুকালীন মানচিত্ৰায়ন

স্থানীয় লোকসকলে প্ৰস্তুত কৰা ঋতুভিত্তিক পঞ্জিকা সম্প্ৰদায়ৰ ভিতৰৰ ঋতুকালীন প্ৰৱণতাসমূহ সম্পৰ্কে তথ্য সংগ্ৰহ আৰু নিৰ্দিষ্ট হেঁচা আৰু দুৰ্বলতাবিলাকৰ সময়ক চিহ্নিত কৰাৰ ক্ষেত্ৰত এক অত্যন্ত উপযোগী উপায়। দলীয় আলোচনাৰ সময়ত (সংগৃহীত তথ্যবোৰ তদন্ত কৰাৰ বাবে আলোচনা) প্ৰায়েই মাটিৰ ওপৰত ঋতুভিত্তিক কৃষি পঞ্জিকা অংকন কৰা হয় আৰু এই পঞ্জিকাৰ মেট্ৰিক্স বা ৰেখাংকনত শিলগুটি অথবা বীজবোৰ শস্যৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰি শস্যৰ অগ্ৰাধিকাৰ স্থানাংক দেখুওৱা হয়। আনহাতে, ঋতুভিত্তিক বৃদ্ধি বা হ্ৰাস দেখুৱাবলৈ সাধাৰণ ৰেখাৰেও ৰেখাচিত্ৰ (গ্ৰাফ) অংকন কৰিব পাৰি। সমগ্ৰ বছৰ ধৰি সমগ্ৰ পৰিস্থিতিৰ ওপৰত পলকতে চাবলৈ এখন পঞ্জিকাতে ঋতুভিত্তিক প্ৰকাৰভেদৰ সমগ্ৰ বিষয়ক সামৰি ল'ব পাৰি। এই প্ৰকাৰভেদ বা পৰিৱৰ্তনবোৰ হৈছে বৰষুণ, শস্যৰ পৰ্যায়ক্ৰম, বনুৱাৰ চাহিদা, মজুৰিভিত্তিক নিযুক্তিৰ পৰ্যাপ্ততা, বাহিৰলৈ প্ৰব্ৰজন, মানুহৰ ৰোগত আক্ৰান্ত হোৱাৰ ঘটনা, ব্যয়ৰ পৰ্যায়সমূহ আৰু অন্যান্য গুৰুত্বপূৰ্ণ সময়বিলাক যেনে উৎসৱ আদিকো ইয়াত দেখুৱাব পাৰি।

ঋতুভিত্তিক মানচিত্ৰায়নত ঘাইকৈ শস্য খেতিৰ বিষয়টোক সামৰি লোৱা হয়। ঋতুভিত্তিক মানচিত্ৰত আমি কৃষিজাত, শস্য আৰু কৃষিকাৰ্যৰ তিনিটা সময় যেনে বীজসিঁচা, শস্য ৰোপণ আৰু শস্য চপোৱাৰ নিয়মবোৰ বিবেচনা কৰাৰ লগতে গোটেই বছৰ ধৰি বিতং তথ্য সংগ্ৰহ কৰোঁ। ঋতুভিত্তিক মানচিত্ৰায়নৰ জৰিয়তে দেখা গৈছে যে গাঁৱত উৎপাদন কৰা ঘাই ঘাই শস্যবোৰ হৈছে— মাটিকঁঠাল, বিলাহী, আলু, জলকীয়া, বন্ধাকবি, ফুলকবি, আম ইত্যাদি। বনাঞ্চল দলীয় আলোচনাৰ সময়ত জানিব পৰা তথ্যমতে জে এফ এম চিৰ গাঁওবাসীৰ জীৱিকাৰ প্ৰধান উপায়বোৰ হৈছে ঘৰচীয়া পশুপালন-প্ৰজনন (গাহৰি, কুকুৰা), বয়ন, দিনহাজিৰা কাম, ৰাজমিস্ত্ৰীৰ কাম, চিলাই কাম, কাঠৰ আচবাবৰ কাম। এইবোৰ কাম ঋতুকালীন চৰিত্ৰৰ নহয়।

**মানচিত্ৰ ঃ ৩.৪ ঃ বালিজান মিলিজুলি জে এফ এম চিৰ ঋতুভিত্তিক মানচিত্ৰ**

**তালিকা- ৩.৪ ঋতুকালীন শস্যৰ ধৰণ**


| **কৃষিজাত শস্য** | **কাম-কাজৰ সময়** | | | |
|---|---|---|---|---|
| | | **বীজসিঁচা** | **শস্য চপোৰা** | **সংগ্ৰহ** |
| কৃষিখণ্ড | ধান | জুন-জুলাই | নৱে-ডিচে | — |
| | আলু | জুন-আগষ্ট | — | জানু-ফেব্ৰু |
| | কবি | জানু-মাৰ্চ | — | ছেপ্টে-ডিচে |
| | বেঙেনা | মাৰ্চ-এপ্ৰিল | ছেপ্টে-অক্টো | — |
| | জলকীয়া | বছৰজুৰি | | |
| অনা কৃষিখণ্ড | বয়ন | বছৰজুৰি | | |
| | পশুপালন | | | |
| | চিলাই | | | |

**উৎস ঃ** ক্ষেত্ৰ সমীক্ষা প্ৰতিবেদন

**জ্ঞাত তথ্য ঃ**


* অক্টোবৰৰ পৰা মাৰ্চ মাহলৈকে পানীৰ যোগান পৰ্যাপ্ত নহয়। ফলত সেই সময়ছোৱাত উৎপাদনশীলতা হ্ৰাস পায়।


## ঋতুগত মানচিত্ৰ




**জে এফ এম চিৰ সদস্যসকলৰ দ্বাৰা অংকিত ঋতুগত মানচিত্ৰ**


## ভেন ডায়েগ্ৰাম / চাপাট্টি ডায়েগ্ৰাম




গাঁওবাসীৰ দ্বাৰা অংকিত চাপাট্টি আৰু ভেন ডায়েগ্ৰাম

## অগ্ৰাধিকাৰ স্থানাংক ঃ জীৱিকা সক্ষমতা আৰু পি আৰ এ



**Priority Ranking of Livelihood Activities**

| Livelihood Activities | | Weaving A | Beauty Parlour B | Bamboo Products C | Poultry D | Piggery E | Masonry F | G | H | I | Marks | Rank |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| Weaving | A | X | A | A | A | A | A | | | | 5 | 1 |
| Beautiparlour | B | | X | B | B | B | B | | | | 4 | 2 |
| Bamboo products | C | | | X | C | C | C | | | | 3 | 3 |
| Poultry | D | | | | X | D | D | | | | 2 | 4 |
| Piggery | E | | | | | X | E | | | | 1 | 5 |
| Masonry | F | | | | | | X | | | | 0 | 6 |
| | G | | | | | | | | | | | |
| | H | | | | | | | | | | | |
| | I | | | | | | | | | | | |

Signatures:

**গাঁওবাসীৰ দ্বাৰা অংকিত জীৱিকাৰ অগ্ৰাধিকাৰ মানচিত্ৰ**

# পৰিশিষ্ট IV

## আলোকচিত্ৰ



*সজাগতাৰ সময়ৰ মুহূৰ্ত*



*দলীয় আলোকচিত্ৰ*

# পৰিশিষ্ট V

# পৰিশিষ্ট VI (নথি ১)

## তালিকা-১ ঃ জে এফ এম চিৰ মূল তথ্য

| ক্ৰমিক নং | জেএফএমচি /গাঁও | গঠনৰ তাৰিখ | কাৰ্যকৰী সদস্যৰ সংখ্যা | সভাপতিৰ নাম | সদস্য সচিবৰ নাম | গাঁও উন্নয়ন নিধিৰ ধন | প্ৰতি পৰিয়াল বা ব্যক্তিৰ বৰঙণি | সামাজিক বেৰ হয়/নহয় | লক্ষ্য প্ৰাপ্তি সম্পৰ্কে মন্তব্য | শ্ৰেণী নিৰ্ধাৰণ আৰু আৰ এফ অ'ৰ দ্বাৰা জে এফ এম চিৰ সফলতাৰ % হাৰ |
|---|---|---|---|---|---|---|---|---|---|---|
| ১ | বালিজান মিলিজুলি | ২০১৬ | ১০ | তৰুপ্ৰভা সোণোৱাল | পৰিনীতা সিং | - | — | - | — | - |

উৎস ঃ ক্ষেত্ৰ সমীক্ষাৰ প্ৰতিবেদন।

## তালিকা-২.১ ঃ জে এফ এম চিৰ গাঁওভিত্তিক জনসংখ্যাৰ তথ্য

### তালিকা-২ ঃ প্ৰকল্প গাঁওসমূহৰ জনসংখ্যাৰ অৱস্থা

| ক্ৰঃ নং | গাঁৱৰ নাম | পৰিয়ালৰ সংখ্যা | এছ চি | | এছ টি | | অ' বি চি | | সাধাৰণ | | মুঠ- সকলো শ্ৰেণী |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা | পুৰুষ | মহিলা | |
| ১ | বালিজান মিলিজুলি | ১০০ | ৩০০ | ২০০ | ৩০ | ৪০ | ২০ | ৩০ | ২০ | ১০ | ৬৫০ |

উৎস ঃ ক্ষেত্ৰ সমীক্ষাৰ প্ৰতিবেদন।

## তালিকা-২.২ ঃ জে এফ এম চিৰ বয়সৰ তথ্য

| বয়স শ্ৰেণী | < ১৪ বছৰ | ১৫-৩০ বছৰ | ৩১-৪৫ বছৰ | ৪৬-৬০ বছৰ | > ৬০ বছৰ | মুঠ |
|---|---|---|---|---|---|---|
| **পুৰুষ** | ৪৮ | ২৮৭ | ১৬০ | ৫৮ | ১৭ | ৫৭০ |
| **মহিলা** | ৪৩ | ১৪৮ | ১৩৩ | ৭১ | ২৫ | ৪২০ |

উৎস ঃ ক্ষেত্ৰ সমীক্ষা প্ৰতিবেদন

## তালিকা- ৩ ঃ ভূমি ধাৰণৰ ভিত্তিত গাঁৱৰ কৃষকসকলৰ শ্ৰেণী বিভাগ

| ক্ৰমিক নং | গাঁৱৰ নাম | ভূমি ধাৰণ অনুযায়ী কৃষকৰ শ্ৰেণী বিভাগ | | | | মুঠ |
|---|---|---|---|---|---|---|
| | | ধনী কৃষক<br>> ১০ হেক্টৰ | ক্ষুদ্ৰ কৃষক<br>২-১০ হেক্টৰ | উপান্ত কৃষক<br>< ২ হেক্টৰ | ভূমিহীন পৰিয়াল | |
| ১ | বালিজান মিলিজুলি | - | - | ১০০ | - | ১০০ |

**উৎস** ঃ ক্ষেত্ৰ সমীক্ষা প্ৰতিবেদন

## তালিকা- ৪ ঃ জে এফ এম চিৰ পশুধনৰ সংখ্যা

| ক্ৰমিক নং | গাঁৱৰ নাম | গাঁও ভিত্তিক পশুধনৰ সংখ্যা | | | |
|---|---|---|---|---|---|
| ১ | বালিজান মিলিজুলি | গৰু<br>৪০০ | ছাগলী<br>৮০০ | বলধ<br>২০০ | মুঠ<br>১৪০০ |

**উৎস** ঃ ক্ষেত্ৰ সমীক্ষা প্ৰতিবেদন

## তালিকা- ৫ ঃ গাঁও ভিত্তিক আন্তঃগাঁথনি

| ক্ৰমিক নং | আন্তঃগাঁথনি | অৱস্থিতি | যদি অন্য ঠাইত, গাঁৱৰ পৰা দূৰত্ব (কিলোমিটাৰ) |
|---|---|---|---|
| ১ | প্ৰধান পথ | ডিগবৈ-দুলীয়াজান | ১ |
| ২ | বিদ্যুৎ | তাপ বিদ্যুৎ প্ৰকল্প | ২ |
| ৩ | গেছ সংযোগ | নতুন বজাৰ | ৫ |
| ৪ | পৰিবহণ | ডিগবৈ ইটাভাতা | ৩ |
| ৫ | প্ৰাথমিক চিকিৎসা কেন্দ্ৰ | কছাৰী গাঁও | ১ |
| ৬ | প্ৰাথমিক বিদ্যালয় | ভিতৰত | - |
| ৭ | উচ্চ মাধ্যমিক বিদ্যালয় | ডিগবৈ | ৬ |
| ৮ | বেংক | থাৰ্মেল | ২ |
| ৯ | অংগনৱাড়ি কেন্দ্ৰ | বালিজান শিলংবস্তি | ভিতৰত |
| ১০ | আৰক্ষী থানা | ডিগবৈ | ৬ |
| ১১ | বন কাৰ্যালয় | বৰজান | ৫ |
| ১২ | ডাকঘৰ | বালিজান | ১ |
| ১৩ | বাছৰ সুবিধা | ডিগবৈ-দুলীয়াজান | ১ |
| ১৪ | ৰে'ল ষ্টেচন | ডিগবৈ | ৬ |
| ১৫ | জিলা মুখ্য কাৰ্যালয় | তিনিচুকীয়া | ৩৫ |

**উৎস** ঃ ক্ষেত্ৰ সমীক্ষা প্ৰতিবেদন

## তালিকা- ৯ ঃ জে এফ এম চিৰ কৃষিজাত শস্য

| শস্যৰ প্ৰকাৰ | বৰ্ষা নিৰ্ভৰ | | জলসিঞ্চন | |
|---|---|---|---|---|
| | শস্যৰ নাম | এলেকা হেক্টৰ হিচাপত | শস্যৰ নাম | এলেকা হেক্টৰ হিচাপত |
| খাৰিফ | ধান (শালি, আইজং পংকজ, ৰঞ্জিত | ৩৬ | — | — |
| ৰবি শস্য | কবি, আলু, বেঙেনা, জলকীয়া | ১০ | — | — |
| অন্যান্য | চাহ | ২০ | — | — |

**উৎস** ঃ ক্ষেত্ৰ সমীক্ষাৰ প্ৰতিবেদন।

## তালিকা- ৭ ঃ শস্য উৎপাদন ৰূপৰেখা

| শস্যৰ প্ৰকাৰ | মুঠ উৎপাদন (আনুমানিক) কুইন্টল | উৎপাদন কৰা পৰিয়ালৰ সংখ্যা | গড় উৎপাদন (প্ৰতি হেক্টৰ/কুইন্টল) আনুমানিক | শস্যৰ অন্তৰ্গত এলেকা (হেক্টৰ) আনুমানিক |
|---|---|---|---|---|
| ধান | ১০০০ | ২০০ | ৫ | ৩৬ |
| শাক-পাচলি | ১০০০ | ২০০ | ৫ | ১০ |
| চাহ | ৫৭০০ | ১৫০ | ৩৮.৮৬ | ২০ |

**উৎস** ঃ ক্ষেত্ৰ সমীক্ষাৰ প্ৰতিবেদন।

## তালিকা- ৮ ঃ পশুখাদ্যৰ পৰ্যাপ্ততা

| প্ৰকাৰ | ১-৩ মাহ | ৩-৬ মাহ | > ৬ মাহ |
|---|---|---|---|
| শস্যৰ অৱশিষ্ট | — | ✓ | — |
| গছৰ পৰা খাদ্য | ✓ | ✓ | ✓ |
| ঘাঁহ | ✓ | ✓ | ✓ |
| সেউজীয়া খাদ্য | — | — | ✓ |
| বনাঞ্চলত চাৰণ | — | — | ✓ |

**উৎস** ঃ ক্ষেত্ৰ সমীক্ষা প্ৰতিবেদন

## তালিকা- ৯ ঃ গাঁৱৰ পৰা বজাৰৰ অৱস্থান

| ক্ৰয়ৰ বাবে | অৱস্থান | যদি অন্য গাঁৱত, গাঁৱৰ পৰা দূৰত্ব (কিলোমিটাৰ) |
|---|---|---|
| গেলামাল/সুলভ মূল্যৰ দোকান | ভিতৰত | ২ |
| সাপ্তাহিক বজাৰ | টিঙৰি | ১৫ |
| প্ৰধান বজাৰ | ডিগবৈ | ৩ |

**উৎস ঃ** ক্ষেত্ৰ সমীক্ষাৰ প্ৰতিবেদন।

## তালিকা- ১০ ঃ জলসম্পদ সুবিধাৰ পৰ্যাপ্ততা

| জলৰ উৎস | সংখ্যা | পানীৰ পৰ্যাপ্ততা (উপযুক্ততা, ঋতুকালীন) | ব্যৱহাৰ (খোৱাৰ বাবে, জলসিঞ্চন, গা ধোৱা) |
|---|---|---|---|
| দমকল | ১০০ (ব্যক্তিগত) | উপযুক্ততা | খোৱা-গা ধোৱা |
| কুঁৱা | ১ (সমূহীয়া) | উপযুক্ততা | খোৱা-গা ধোৱা |
| নদী-নলা | ১ | ঋতুকালীন | গা ধোৱা |

**উৎস ঃ** ক্ষেত্ৰ সমীক্ষাৰ প্ৰতিবেদন

## তালিকা- ১১ ঃ শক্তি ব্যৱহাৰ

| ইন্ধনৰ প্ৰকাৰ | নিৰ্ভৰশীল পৰিয়ালৰ সংখ্যা | নিৰ্ভৰশীল মাহৰ সংখ্যা | উৎস (স্থানীয় গাঁও, বন, অন্যান্য উৎস) | মুখ্য / গৌণ |
|---|---|---|---|---|
| কাঠখৰি | ৪০ | ১২ | বনাঞ্চল | গৌণ |
| ৰন্ধন গেছ | ৬০ | ১২ | ব্যক্তিগত | মুখ্য |
| কেৰাচিন | - | - | - | - |

**উৎস ঃ** ক্ষেত্ৰ সমীক্ষাৰ প্ৰতিবেদন।

## তালিকা-১১ (ক) ঃ শিক্ষাগত যোগ্যতাৰ বিৰৰণ

| ক্ৰমিক নং | বিভাগ | সংখ্যা |
|---|---|---|
| ১ | মধ্য ইংৰাজী পৰ্যন্ত | ২৪৭ |
| ২ | অষ্টম-দশম | ৭৯ |
| ৩ | দশম-দ্বাদশ | ৫০ |
| ৪ | স্নাতক | ৪৯৫ |
| ৫ | স্নাতকোত্তৰ | ২০ |
| ৬ | অশিক্ষিত | ৯৯ |

## তথ্য-II

## জীৱিকাৰ সুযোগ বিশ্লেষণ

### তালিকা- ১২ ঃ কৃষি আৰু উদ্যান শস্য

| বাধাসমূহ | কাৰণসমূহ | সুযোগ সমূহ | কৰ্মসূচী |
|---|---|---|---|
| কম উৎপাদন | ▪ কৃষি সম্পৰ্কীয় সঠিক জ্ঞানৰ অভাৱ<br>▪ কৃষিৰ পৰম্পৰাগত পদ্ধতি<br>▪ সাৰ, কীটনাশক, পতংগ নাশক দৰৱ আদিৰ ব্যৱহাৰ অতি নগণ্য।<br>▪ জলসিঞ্চন ব্যৱস্থাৰ অভাৱ।<br>▪ কৃষি আন্তঃগাঁথনি, আধুনিক সা-সঁজুলি আৰু যন্ত্ৰপাতি আদিৰ অভাৱ।<br>▪ উচ্চ উৎপাদনশীল বীজ সম্পৰ্কে সজাগতাৰ অভাৱ। | ▪ কৃষি অসমীয়া মানুহৰ এক সংস্কৃতি, সেয়েহে কৃষি সম্পৰ্কীয় প্ৰশিক্ষণ প্ৰদানৰ প্ৰয়োজন। সঠিক প্ৰশিক্ষণে তেওঁলোকক আধুনিক প্ৰযুক্তি সম্পৰ্কে জ্ঞান প্ৰদান কৰিব।<br>▪ বৈজ্ঞানিক পদ্ধতিৰে কীট-পতংগ নাশক ব্যৱহাৰ।<br>▪ নতুন আৰু অত্যাধুনিক প্ৰযুক্তিৰ প্ৰয়োগ।<br>▪ জৈৱিক কৃষিৰ আৰম্ভণি<br>▪ উচ্চ উৎপাদনক্ষম বীজ ব্যৱহাৰৰ আঁচনি | |
| ভঁৰাল আৰু উৎপাদন | ▪ সংৰক্ষণ পদ্ধতি সম্পৰ্কে সজাগতাৰ অভাৱ।<br>▪ গুদাম ঘৰৰ অভাৱ। | ▪ ইয়াৰ দ্বাৰা বিক্ৰী নোহোৱা সামগ্ৰী দীৰ্ঘকাল ধৰি সংৰক্ষিত ৰখাৰ সহায়ক।<br>▪ তেওঁলোকে উৎপাদিত সামগ্ৰী সংৰক্ষণ কৰি ৰাখিব পাৰে আৰু যেতিয়া চাহিদা ব্যাপকভাৱে বাঢ়ি যায় তেতিয়া বিক্ৰী কৰিব পাৰে। | |
| বিপণন | ▪ মধ্যভোগীৰ বাবে বজাৰৰ সৈতে পোনপটীয়া যোগাযোগ স্থাপন কৰিব নোৱাৰে।<br>▪ পৰিবহণ ব্যৱস্থা অতি শোচনীয়।<br>▪ বিপণন কলা-কৌশল সম্পৰ্কে জ্ঞানৰ অভাৱ, বিক্ৰীৰ পৰম্পৰাগত পদ্ধতিৰ ওপৰত নিৰ্ভৰতা। | ▪ প্ৰকৃত পৰিবহণ ব্যৱস্থাই কৃষকসকলক তেওঁলোকৰ সামগ্ৰী নিকটৱৰ্তী বজাৰলৈ লৈ যোৱাত সহায় কৰিব।<br>▪ মধ্যভোগীক আঁতৰাই বজাৰ মূল্য সৰ্বোচ্চ হাৰত বৃদ্ধি কৰা।<br>▪ বৰ্তমান বজাৰৰ পৰিস্থিতি আৰু তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ বৰ্তমান মূল্যৰ বিষয়ে অধিক জ্ঞান।<br>▪ ৰপ্তানি ব্যৱস্থা প্ৰয়োগেৰে তেওঁলোকৰ উৎপাদিত সামগ্ৰী ৰাজ্যৰ বাহিৰত বিক্ৰী কৰিব পাৰে। | |

## তালিকা- ১৩ ঃ পশুধন

| বাধাসমূহ | কাৰণসমূহ | সুযোগ সমূহ | কৰ্মসূচী |
|---|---|---|---|
| চৰণীয়া ভূমি কম | প্ৰযোজ্য নহয় | - | - |
| পশু খাদ্যৰ পৰ্যাপ্ততা | ▪ শোচনীয় বিত্তীয় অৱস্থাৰ কাৰণে বজাৰৰ পৰা ক্ৰয় কৰাৰ অক্ষমতা।<br>▪ গছ-গছনিৰ পৰা পশুখাদ্য, শস্যৰ অৱশিষ্টাংশ কেৱল ৩-৬ মাহৰ বাবে পৰ্যাপ্ত। | ▪ পশুপালনৰ দ্বাৰা উচ্চ উপাৰ্জন<br>▪ সুবিধা লাভ কৰিব পাৰিলে পশু খাদ্যৰ বাবে ভাল ঘৰুৱা বজাৰ আৰু এই সুবিধাই জীৱিকাৰ বিকল্প সুযোগ সৃষ্টি কৰিব। | |
| পশু চিকিৎসা ব্যৱস্থা | ▪ পশু চিকিৎসাৰ কোনো কেন্দ্ৰ নাই।<br>▪ যথোপযুক্তভাৱে পশু পালন-প্ৰজনন সম্পৰ্কে জ্ঞানৰ অভাৱ। | ▪ ৰোগ নিয়ন্ত্ৰণ<br>▪ গৃহপালিত পশুৰ জীৱনকাল (আয়ুস) বৃদ্ধি। | |

## তালিকা- ১৪ ঃ এন ডব্লিউ এফ পি

| বাধাসমূহ | কাৰণসমূহ | সুযোগ সমূহ | কৰ্মসূচী |
|---|---|---|---|
| কম সংগ্ৰহ | ▪ এন ডব্লিউ এফ পি পৰ্যাপ্ত নহয় | ▪ সাৰুৱা ভূমিৰ পৰ্যাপ্ততা | |
| অস্থিতিশীল সংগ্ৰহ | - | ▪ সাৰুৱা ভূমিৰ পৰ্যাপ্ততা | — |
| কম মূল্য | - | — | — |
| মূল্য সংযোজন | ▪ প্ৰক্ৰিয়াকৰণ গোট নাই<br>▪ প্ৰয়োজনীয় সম্পদ প্ৰাপ্তি নহয়<br>▪ কোনো কাৰিকৰী জ্ঞান নাই | — | — |
| ঋণৰ সুবিধা | ▪ বেংক বা ডাকঘৰৰ সৈতে জমাকৰণৰ কোনো সম্পৰ্ক নাই।<br>▪ চৰকাৰ আৰু বেংকৰ উন্নয়নমূলক আঁচনি সম্পৰ্কে অসজাগ। | ▪ চৰকাৰৰ দ্বাৰা বিত্তীয় সাহায্য<br>▪ ঋণৰ সহজ ব্যৱস্থা প্ৰদান | |
| উৎপাদন বহুমুখীকৰণ | ▪ নতুন উৎপাদন উন্নয়ন বা বহুমুখীকৰণৰ ব্যৱস্থা নাই<br>▪ উৎপাদন বহুমুখীকৰণ ধাৰণাৰ অভাৱ। | ▪ প্ৰয়োজন ভিত্তিক উৎপাদন উন্নয়ন, আধুনিক বজাৰৰ প্ৰয়োজনীয়তা সাপেক্ষে। | |

## তালিকা- ১৫ ঃ ঋণৰ সুবিধা

| বাধাসমূহ | কাৰণসমূহ | সুযোগ সমূহ | কৰ্মসূচী |
|---|---|---|---|
| ঋণ দিওঁতাৰ অভাৱ | ▪ সংগঠিত ঋণ উৎসৰ অভাৱ | ▪ নিকটৱৰ্তী এলেকা আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন | |
| সুতৰ হাৰ | ▪ ব্যক্তিগত ঋণ দিওঁতাৰ উচ্চ সুতৰ হাৰ | ▪ আত্মসহায়ক গোট বা জে এফ এম চিৰ দ্বাৰা ৰেহাই মূল্যত ঋণ প্ৰদান | |
| ঋণৰ পৰ্যাপ্তা | ▪ ঋণ ল'বলৈ ভয়<br>▪ নথি-পত্ৰ সম্পৰ্কীয় জ্ঞানৰ অভৱা | ▪ উদ্যমিতা বিভাগ স্থাপন | |
| আমানতৰ কঠিনতা | ▪ সম্পত্তি আমানতত ৰাখিবৰ বাবে সঠিক নথি-পত্ৰৰ অভাৱ | ▪ এলেকাটোত নথি-পত্ৰ সম্পৰ্কীয় সঠিক সজাগতা। | |

Approved

Divisional Forest Officer
Digboi Division, Digboi
Tinsukia, Assam